# নিজম দৰ্শন



সম্পাদক
কৰুণা হাজৰিকা

কানৈ বানিজ্য মহাবিদ্যালয়ৰ আলোচনী

# বাণিজ্য দৰ্পণ

বাৰ্ষিক মুখপত্ৰ

D.H.S.K. COMMERCE COLLEGE DIBRUGARH ESTD-1960

অষ্টাবিংশতিতম সংখ্যা

১৯৯০—৯১ চন

সম্পাদনাত

কৰুণা হাজৰিকা

## সম্পাদনা সমিতি

সভাপতি :— ডঃ চন্দ্ৰদেউ মিশ্ৰ ।

ভাৰপ্ৰাপ্ত অধ্যাপক :— শ্ৰীযুত ঘনশ্যাম অধিকাৰী ।

উপদেষ্টা :— অধাপক শ্ৰীযুত মনোমোহন দাস ।

অধাপক শ্ৰীযুত দেবৰঞ্জন ধৰ

অধ্যাপিকা শ্ৰীযুক্তা নীৰঞ্জনা মহন্ত বেজবৰা ।

সম্পাদক :— শ্ৰী কৰুনা হাজৰিকা ।

ছাত্ৰ সদস্য :— শ্ৰী কুশল বুঢ়াগোহাঁই ।

" হেমন্ত সোনোৱাল ।

" শৰৎ দত্ত ।

" খঞ্জানন গগৈ ।

" চন্দ্ৰ প্ৰকাশ জৈন ।

" ৰিজয় সোনোৱাল ।

প্ৰকাশক :— কানৈ ব্যানিজ্য মহাৰিদ্যালয় ছাত্ৰ একতা সভা ।

বেতুপাত অংকন আৰু ভাৱাৰ্থ :— শ্ৰী ধৈৰ্য্য হাজৰিকা ।

ছপাশাল :— পূজা ছপাশাল ।

# উৎৰ্সগা



মহাবিদ্যালয় তথা ছাত্ৰ-ছাত্ৰী সকলৰ সৰ্বাঙ্গীন উন্নতিৰ বাবে গোটেই জীৱন উছৰ্গা কৰা আমাৰ অতি আদৰৰ শিক্ষাগুৰু, প্ৰৱক্তা শ্ৰীযুত দেৱব্ৰত বৰুৱা দেৱ যোৱা ইং ২৮/৫/৯১ তাৰিখ শনিবাৰে স্বৰ্গগামী হয় । তেখেতৰ বিদেহী আত্মাই চিৰশান্তি লাভ কৰক । তেখেতৰ কৰ্মময় জীৱনৰ পৱিত্ৰ স্মৃতিত বানিজ্য দৰ্পনৰ ২৮ তম সংখ্যাটি উছৰ্গা কৰিলো ।

শ্ৰদ্ধাৰে—

কানৈ বাণিজ্য মহাবিদ্যালয়
ছাত্ৰ একতা সভা।

# সোঁৱৰণ

যি কেইজন ছাত্ৰৰ অকাল মৃত্যুত কানৈ বানিজ্য মহাবিদ্যালয়ৰ বুকুলৈ বিষাদৰ চ
কঢ়িয়াই আনিলে, তেওঁলোক ক্ৰমে :—

★ শুনীন থাউণ্ড ( প্ৰাক্তন ছাত্ৰ )

★ গুলবদন বৰুৱা ( স্নাতক তৃতীয় বাৰ্ষিক ) আৰু

★ কিশোৰ গগৈ ( স্নাতক দ্বিতীয় বাৰ্ষিক ) ক

আমি শ্ৰদ্ধাৰে সোঁৱৰিছো। তেওঁলোকৰ আত্মাই চিৰশান্তি লাভ কৰক এইটে
আমাৰ ভগৱানৰ ওচৰত প্ৰাৰ্থনা।

কানৈ বাণিজ্য মহাবিদ্যালয়
ছাত্ৰ একতা সভা।

# বেটুপাতৰ ভাৱাৰ্থ



আসমী আইৰ মাতৃৰ চৌদিশে আজি অসংখ্য শত্ৰু । অসমী আইৰ বুকুত আজি কিয় ইমান বেদনাৰ ঢৌ ? অসমী আইৰ বুকুত জ্বলি উঠা সেই শোষণৰ জুই দিন কালৰ বুকুত বিলীন কৰিবই লাগিব ।

আঁহা, আমি সকলোৱে মাৰ বান্ধি থিয় হৈ অসমী আইৰ অস্তিত্ব ৰক্ষা কৰো - হক ।

শ্ৰী ধৈৰ্য্য হাজৰিকা ।

# ঃ সূচিপত্ৰ ঃ


সম্পাদকীয় :—

প্ৰবন্ধ :—

| | | | |
|---|---|---|---|
| ১। | অসম আৰু অসমীয়া | শ্ৰীবিমান বৰা | ৪ |
| ২। | শিক্ষাৰ পৰিবেশত আধ্যাত্মিকতা | " ললিত বৰুৱা | ৭ |
| ৩। | স্বাৰ্থ এটি পৰ্য্যালোচনা | " ৰাজিব ৰয় | ১৪ |
| ৪। | জাতীয় কৃষ্টিৰ বাহক 'ৰঙালী বিহু' | * " চন্দ্ৰ কান্ত হাজৰিকা | ১৯ |
| ৫। | ৰাষ্ট্ৰীয় সেৱা আচঁনি কানৈ বাণিজ্য মহাবিদ্যাল গোট | অধ্যাপক শ্ৰীপ্ৰদীপ কুমাৰ চাহু | ২৩ |

কবিতা :—

| | | | |
|---|---|---|---|
| ১। | স্মৃতি ( সংগ্ৰহ ) (ক) আক্ৰোশ (খ) সংকল্প | * শ্ৰীবিমান বৰা | ২৬ |
| ২। | হেৰা বন্ধু | * শ্ৰীজগনাথ দুৱৰা | ২৯ |
| ৩। | অপেক্ষা | * " ৰঞ্জন সোনোৱাল | ৩০ |
| ৪। | স্মৃতিবোৰ | * " শৰৎ দত্ত | ৩১ |
| ৫। | উত্তৰ আছে নে কাৰোবাৰ | * " ৰনজিত চেতিয়া | ৩২ |
| ৬। | জাগিছে আজি পুনৰ অসম | * ' বিশ্ববিজয় ফুকন | ৩৩ |
| ৭। | শতাব্দীৰ ৰুদ্ধ বেদনা | * " ৰাজীৱ কুমাৰ নেওগ | ৩৪ |
| ৮। | ৰণভূমিত | * শ্ৰীমতী তুলিকা দেৱী হাজৰিকা | ৩৫ |
| ৯। | দিবাস্বপ্ন | * শ্ৰী অজিত দত্ত | ৩৬ |
| ১০। | এটি কবিতা সময়ৰ | * " জীৱন ভূঞা | ৩৭ |
| ১১। | জননী | * " মিন্টু ৰাজকুমাৰ | ৩৮ |

গল্প :—

| | | | |
|---|---|---|---|
| ১। | অস্তমিত সূৰ্য্য | * " ৰাজীৱ কুমাৰ নেওগ | (১০-১৩) |
| ২। | ৰানপাণী | * " দিগন্ত চেতিয়া | ৩৯ |
| ৩। | নিৰলুৱা | * " বিশ্ববিজয় ফুকন | ৪১ |
| ৪। | প্ৰেৰনা | * " দেবজিৎ বৰা | ৪৫ |

বিভাগীয় সম্পাদক সকলৰ প্ৰতিবেদন :— (৫০-৫৬)

# সম্পাদকীয়

শিক্ষা হৈছে জীৱন ব্যাপি চলা এটি অন্তহীন প্ৰক্ৰিয়া। এই প্ৰক্ৰিয়া এনে এক বিষয় যি পাৰস্পৰিক সহায় সহযোগিতাৰ ওপৰত সম্পূৰ্ণ নিৰ্ভৰশীল। থোৰতে কবলৈ হলে এই প্ৰক্ৰিয়াই ( শিক্ষাই ) যিকোনো মনুষ্যকে নিজৰ কৰ্ম জীৱনত সহজে আত্ম-প্ৰতিষ্ঠা কৰাই স্বাৱলম্বীতা অৰ্জনৰ সুযোগ দিয়ে। বৰ্তমান বিজ্ঞানৰ প্ৰগতিশীল যুগত যি কোনো সংস্থাপনৰ বাবে উপযুক্ত শিক্ষা অৰ্জিব অপৰিহাৰ্য্য। আজি বিজ্ঞানৰ যুগত উপযুক্ত শিক্ষাৰ অবিহনে মানৱ সমাজত নিজকে প্ৰতিষ্ঠিত কৰি লোৱাটো এক চিন্তনীয় বিষয় হৈ পৰিছে। সেয়ে সফল সংস্থানৰ আশা কৰা সকলে ছাত্ৰাৱস্থাতেই নিজৰ ৰুচি আৰু আদৰ্শগত গুনাৱলীৰ লগত সংগতি ৰাখি নিজৰ লক্ষ্য অথবা শিক্ষাৰ ধাৰা স্থিৰ কৰি লোৱাটো বাঞ্চনীয়। ভৌগলিক কাৰক সমূহ ব্যক্তি বিশেষৰ স্বকীয় ৰুচি আৰু ব্যক্তি তথা সামাজিক প্ৰগতিৰ ধাৰা অনুযায়ী ভিন, ভিন লোকৰ বাবে ভিন, ভিন শিক্ষা পদ্ধতিৰ ওপৰত অধ্যয়ন আৰু বাস্তবিক ব্যৱস্থাৰ ওপৰত গুৰুত্ব দিয়া সকলোৰে কৰ্তব্য।

আমাৰ ছাত্ৰ সকলে হাইস্কুলৰ দেউনা পাৰ হোৱাৰ পিচতহে ভৱিষ্যৎ শিক্ষাৰ পথ নিৰ্দ্ধাৰণ কৰিব লগা হয়। ছাত্ৰ-ছাত্ৰীৰ বাবে এই সময়ছোৰাত এক গুৰুত্বৰ সন্ধিক্ষণ। বিশেষকৈ এই সময়ছোৰাতেই প্ৰায়ভাগ ছাত্ৰ-ছাত্ৰীয়ে নতুন কিবা এটা কৰাৰ সপোন দেখে। কিন্তু বৰ্তমান আমাৰ দেশ তথা ৰাজ্যখনত সিচৰিত হৈ থকা শিক্ষা আৰু সংস্থাপনৰ প্ৰকৃত সুবিধাৰ সঠিক সন্ধান নোপোৱাৰ ফলত ছাত্ৰ-ছাত্ৰী সকল বিমোৰত পৰা পৰিলক্ষিত হয়। তেওঁলোকে নানা প্ৰলোভন তথা বিভিন্ন বিকৃত প্ৰচাৰ মাধ্যমৰ দ্বাৰা পৰিচালিত হৈ মূল লক্ষ্যৰ পৰা আঁতৰি যোৱাও দেখা যায়। এনে প্ৰচাৰ মাধ্যম সমূহে অনেক সত্য-অসত্য কথা প্ৰচাৰ কৰি আৰ্থিক লাভা-লাভৰ অংক কৰে। তেনে অৱস্থাত ছাত্ৰ-ছাত্ৰী সকলৰ উপযুক্ত পথৰ প্ৰয়োজন। তেওঁলোকে পথ প্ৰদৰ্শক হিচাপে

বিচাৰে একোজন আদৰ্শবান ব্যক্তি যাৰ দ্বাৰাই তেওঁলোকে শিক্ষাৰ মানদণ্ড উন্নত কৰিব পাৰে। কিন্তু ইয়াকে কৰিবলৈ যাওঁতে বহুতো ছাত্ৰ ছাত্ৰীয়ে অকৃত কাৰ্য্যতাৰ পৰিলক্ষিত হোৱা দেখা যায়।

বৰ্ত্তমান প্ৰগতিশীল সমাজত ছাত্ৰ-সমাজ জ্ঞান পিপাসু আৰু অ.ত্মসন্ধানী হোৱাৰ একান্ত প্ৰয়োজন। তেওঁলোকৰ শিক্ষা জীৱনৰ গুৰুত্বপূৰ্ণ সন্ধিক্ষনবোৰত অভিজ্ঞ.লোক নাইবা সংশ্লিষ্ট আলোচনীৰ জৰীয়তে প্ৰচলিত সৰু-বৰ বিভিন্ন পাঠ্যক্ৰম সমূহৰ সন্ধেন পাবলৈ যত্ন কৰিব লাগে। কেৱল শ্ৰেণীৰ পাঠ্যপুথিৰ মাজত অধ্যয়ন সীমাবদ্ধ নাৰাখি বিভিন্ন জ্ঞান অৰ্জনৰ বাবে চেষ্টা কৰিব লাগে — তেতিয়াহে প্ৰকৃত পথৰ সন্ধান পোৱাৰ আশা কৰিব পাৰি।

মহাৱিদ্যালয়ৰ দাপোন স্বৰূপ আলোচনী খনে ছাত্ৰ-ছাত্ৰী সকলৰ শিক্ষামূলক দিশ সমূহৰ বিকাশ আৰু প্ৰকাশৰ লগে লগে সৌন্দৰ্য্য পিপাসু মনৰ সুক্ষ্ম কলা অনুভূতি বিলাকো সামাক বিকাশ আৰু প্ৰকাশ কৰে-তেওঁলোকৰ কবিতা, গল্প, প্ৰবন্ধ আদিৰ লেখনিৰ জ ৰীয়তে। মহাবিদ্যালয়ৰ আলোচনী সমূহৰ জৰীয়তে বহুজন 'নবীন' লেখক-লেখিকাই নিজকে আত্মপ্ৰকাশৰ সুযোগ পায়। সেই উদ্দেশ্যই মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ সাহিত্য সংস্কৃতিমূলক বিভিন্ন চিন্তা বিকাশৰ থলি হিচাপে একোখনকৈ আলোচনী প্ৰকাশৰ পৰম্পৰা অতি আদৰণীয়। গতিকে এনে পৰ্য্যায়ৰ আলোচনী এখন অধিক নিম্ন মানদণ্ডৰ হোৱাটো অবাঞ্চনীয় যিহেতু ইয়াত প্ৰকাশিত লেখনীসমূহৰ জৰিয়তেই ছাত্ৰ-ছাত্ৰী সকলৰ শিক্ষা, সাহিত্য আৰু সংস্কৃতিৰ দিশটোত কিমান আগবঢ়া তাৰ উমান পোৱা যায়। আমাৰ মহাবিদ্যালয়ৰ এই সংখ্যাৰ 'বাণিজ্য দৰ্পন' আলোচনীখন উচ্চ মানদণ্ডৰ হৈছে বুলি মই নাভাবো। কাৰণ আলোচনী এখন উচ্চ মানদণ্ড ৰূপত প্ৰকাশ কৰি উলিওৱাৰ দায়িত্ব অকল সম্পাদকৰে নহয়, লগতে প্ৰতিজন লেখক-লেখিকাৰ। বাণিজ্য দৰ্পনত প্ৰকাশৰ বাবে দিয়া বিভিন্নজন ছাত্ৰ-ছাত্ৰীৰ লেখনিবে কিছুমান নিম্ন মানদণ্ড হোৱাত আলোচনীখনত প্ৰকাশ কৰব পৰা নগল। যি সকল ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধবীৰ লেখনি প্ৰকাশ কৰিব পৰা নগল তেওঁলোক যাতে নিৰাশ নহৈ নতুন উৎসাহেৰে অনুশীলনীত ব্ৰতী হয় তাৰবাবে মোৰ অনুৰোধ থাকিল।

প্ৰতি বছৰৰ দৰে এই অষ্টবিংশতিতম সংখ্যাৰ আলোচনীখন আপোনালোকৰ মাজত অৰ্পিত হৈছেহি। নানা ঘাট-প্ৰতিঘাটৰ মাজেৰে প্ৰকাশিতহোৱা এই আলোচনীখন যেনে দৰে আপোনা সকলৰ মাজত প্ৰকাশ কৰাৰ প্ৰয়াস কৰিছিলো সেয়াও সময়ত হৈ নুঠিল অৰ্থৰ অভাৱতে। তথাপিতো বিজ্ঞাপনৰ জৰিয়তে কিছুধন সংগ্ৰহ কৰি আলোচনীখন সুন্দৰ ৰূপত প্ৰকাশ কৰাৰ চেষ্টা কৰিছিলো কিন্তু সময়ৰ অভাৱত সিও কাৰ্য্যকৰি নহল।

বৰ্ত্তমান যুগত এখন আলোচনী সৰ্বাঙ্গ সুন্দৰ ৰূপত প্ৰকাশ কৰি উলিয়াবলৈ যথেষ্ট পৰিমানৰ অৰ্থৰ প্ৰয়োজন। আমাৰ মহাবিদ্যালয়ৰ আলোচনীখনৰ আৰ্থিক অৱস্থা অত্যন্ত শোচনীয়। অৰ্থৰ পৰিমান কম হোৱাৰ বাবে মহাবিদ্যালয়ৰ 'বানিজ্য দৰ্পন' আলোচনীখন অতি কম পৃষ্ঠাৰে গতানুগতিক ভাবে প্ৰকাশিত হৈ আহিছে। এনে কম পৃষ্ঠাৰে প্ৰকাশিত আলোচনী এখনে ছাত্ৰ-ছাত্ৰীৰ লেখনী সমূহ প্ৰকাশৰ ক্ষেত্ৰত সম্পূৰ্ণ চাহিদা পূৰনত ব্যৰ্থ হোৱা দেখা যায়। গতিকে মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ মনঃপুত হোৱাকৈ এখন সৰ্বাঙ্গ সুন্দৰ আলোচনী প্ৰকাশ কৰিবলৈ পুজিৰ পৰিমান অধিক বঢ়োৱাৰ ব্যৱস্থা কৰে তাৰ বাবে কলেজ কৰ্ত্তৃপক্ষলৈ মোৰ বিনম্ৰ অনুৰোধ থাকিল।

কৃতজ্ঞতা স্বীকাৰ —

আলোচনীখণ প্ৰকাশৰ কাৰনে যিসকলৰ দিহা-পৰামৰ্শ আৰু যাবতীয় সহায়-সহযোগিতাৰ বাবে " বাণিজ্য দৰ্পন " ২৮ তম সংখ্যাটিয়ে পোহৰৰ মুখ দেখিবলৈ সক্ষম হল, তেওঁলোক ক্ৰমে - অধ্যক্ষ শ্ৰীযুত চন্দ্ৰ দেউ মিশ্ৰ, উপাধ্যক্ষ শ্ৰীযুত মনোমোহন দাস, অধ্যাপক শ্ৰীযুত ঘনশ্যাম অধিকাৰি, অধ্যাপক শ্ৰীযুত দেবৰঞ্জন ধৰ, অধ্যাপিকা শ্ৰীযুক্তা নিৰঞ্জানা মহন্ত বেজবৰা, অধ্যাপিকা শ্ৰীযুক্তা কল্পনা খাউণ্ড বাইদেউ আৰু কলেজ ছাত্ৰ সন্থাৰ বিষয় বীবয়া সকলৰ উপৰিও ছাত্ৰ বন্ধু কুশল বুঢ়াগোঁহাই, খগানন গগৈ, হেমন্ত সোনোৱাল, বিজয় সোনোৱাল, শৰত দত্ত, সকলোৰে ওচৰত তেওঁলোকৰ বহুমূলীয়া সহায় সহযোগিতাৰ বাবে কৃতজ্ঞতা জ্ঞাপন কৰিছো।

বেটুপাত তথা অলংকৰন শিল্পী শ্ৰীধৈৰ্য্য হাজৰিকাই ( প্ৰাক্তন আলোচনী সম্পাদক ) আলোচনীখনৰ প্ৰকাশৰ ক্ষেত্ৰত যি অমূল্য সহায় সহযোগ আগবঢ়ালে তাৰবাবে তেওঁলৈ মোৰ আন্তৰিক ধন্যবাদ যাচিছোঁ।

আকস্মিক ভাবে হৈ যোৱা অনিচ্ছাকৃত ভুল-ত্ৰুটিৰ বাবে আপোনাসবৰ ওচৰত ক্ষমা মাগিলো। শেষত যি সকল শিক্ষাগুৰু আৰু ছাত্ৰ-ছাত্ৰীয়ে লিখা প্ৰবন্ধ পাতি প্ৰকাশ কৰবলৈ দি আলোচনীৰ ভিতৰ চৰা শুৱনি কৰিলে ( সেই তেওঁলোক সকললৈ ) কৃতজ্ঞতা জনোৱাৰ লগতে মহাবিদ্যালয়ৰ তথা 'বাণিজ্য দৰ্পনৰ ভবিষ্যৎ উন্নতি কামনা কৰি মোৰ সম্পাদকীয় কলম সামৰনি মাৰিলো।

—ধন্যবাদেৰে—

জয় আই অসম

শ্ৰীকৰুণা হাজৰিকা

সম্পাদক

★

★ ★ ★

★

# অসম আৰু অসমীয়া

শ্ৰীবিমান বৰা
স্নাতক তৃতীয় বাৰ্ষিক

টোল দৰিদ্ৰ অসমীয়া জনসাধাৰণৰ হৈ কাম কৰি যোৱাৰ প্ৰতিশ্ৰুতিৰে অসমত বহুতো সংগঠনৰ জন্ম হৈছে। সেইসকলে লোহিত নিৰেপধিত সকলৰ হৈ ৰাজপথত শ্লোগান দিয়ে। ৰাইজৰ দুখত দুখী হৈ আন্দোলনত গছৰ পাত সৰাবলগীয়া অৱস্থাৰো সময় বিশেষে এওঁলোকে সৃষ্টি কৰে। এই সুন্দৰ অভিনয়ত সাধাৰণ ৰাইজ অভিভূত হৈ পৰে।

বোকাত পৰা মানুহ এজনক বোকাৰ পৰা তুলিবলৈ হলে তোলোঁতাৰ গাত বোকা লাগিবই। ইয়াৰ বাবে জোতা চেণ্ডেল এৰিব লগা হবও পাৰে। কিন্তু জোতা, চেণ্ডেল, চুট - টাই পৰিধান কৰি বোকাৰ পৰা মানুহ তুলিবলৈ যোৱাটো এখন নাটকৰ এটা দৃশ্যৰ বাবে আন একো হব নোৱাৰে আজি অতদিনে এইসকলে আমাৰ হোজা ৰাইজক এইদৰেই ঠগিলে।

১৯৪৭ চনতেই ভাৰতৰ লগতে অসমেও স্বাধীনতা পালে। কিন্তু অসমে সেই স্বাধীনতা মৌখিক ভাৱেহে পালে। কাৰ্য্যক্ষেত্ৰত অসমে স্বাধীনতা নাপালে। এই স্বাধীনতাৰ পাছত ৰাজনৈতিক উদ্দেশ্য আগত ৰাখি সুবিধাবাদীচামে আমাৰ কালীয়া, ভুগুৰা, সোৰোপা অসমীয়াখিনিক ৰাজনীতিৰ পাশা গুটি হিচাপে ব্যৱহাৰ কৰি ৰাজ সিংহাসনত বহিল। পৰৱৰ্তী সময় ছোৱাত এই বুদ্ধিজীৱী সুবিধাবাদী নেতাচামক নিঃশেষ কৰিবৰ বাবে বহুতো সংগঠনৰ জন্ম হ'ল। কিন্তু ইমান সংগঠন থকা সত্বেও আজি অসমীয়াৰ অস্তিত্ব লুপ্ত হোৱাৰ উপক্ৰম হৈছে।

তথাকথিত এইচাম নেতাই দপদপাই থাকে দুৰ্নীতি নিবাৰণৰ বাবে। কোনো পুঁজিপতি ব্যৱসায়ীৰ গুদামত অহৰ্নিশে খাদ্য বস্তুৰ ভেজাল চলিয়েই আছে। আৰু

এইবোৰ খাদ্য খাই অসমীয়া জাতি আজি ৰুগীয়া জাতিত পৰিণত হৈছে। আমাৰ নেতা, আৰক্ষীৰ বহুবোৰেই এই সম্পৰ্কে জ্ঞাত, কিন্তু এওঁলোকে শেনটো যোবাৰ দৰে এওঁলোকৰ ওচৰলৈ গৈ দুই-চাৰিটকা জেপত সোমালেই ফেঁচাটো অহাৰ দৰে উভতি আহে। এই সকলেই সৰ্বসাধাৰণক পুতলা সাজি নিজৰ নিজৰ ব্যক্তিগত স্বাৰ্থহে পূৰণ কৰিছে। এই নেতা সকলেই নিজ স্বাৰ্থৰ সিদ্ধিৰ বাবে হোজা ৰাইজৰ মাজত বিভেদৰ সৃষ্টি কৰিছে ধৰ্মৰ দোহাই দি, জাতি ভেদৰ দোহাই দি। আমাৰ অসমীয়া ৰাইজৰো বহুতো দোষ আছে। যাৰ বাবে এই ৰাজনৈতিক, অৰাজনৈতিক দালাল আৰু অসমীয়া, অনা অসমীয়া অসম বিদ্বেষী শ্ৰেণী-টোৱে আমাক নিশ্চিহ্ন কৰিবলৈ ওলাইছে। এটা কথা মন কৰিবচোন - আমাৰ অসমীয়া কেইঘৰে নিজকে অসমীয়া বুলি পৰিচয় দিয়াৰ সলনি বামুন, কলিতা, কেওঁট, গোসাঁই, কোচ আদিৰেহে নিজক পৰিচয় দিয়ে। ইয়াৰ মাজতো ইজনে সিজনৰ সৈতে নাখাবি নুছুৱি ভাব।

পৰচৰ্চ্চাকাৰী অসমীয়াই পৰিশ্ৰমো কৰিব নোৱাৰে। পাঞ্জাব, হাৰিয়ানাত ৭৩' চনতেই সেউজ বিপ্লৱৰ সূচনা হল যদিও অসমত চৰহাপোকৰ উপদ্ৰৱকেই আজিও কমাব পৰা নাই। এই খোদৰ পচলা অসমীয়াৰ এচামে কষ্ট নকৰাকৈয়ে ধন ঘটাৰ উপায় হিচাপে সৰহ পৰিমানৰ মাটি থকাসকলে নিজৰ কাৰণে এবাবাৰীৰ কাষতে একঠামান মাটি থৈ পকী-পথৰ কাষৰ সুন্দৰ মাটিখিনি অনা অসমীয়া ব্যৱসায়ীক বিক্ৰী কৰি দিবলৈ লৈছে। ফটা-ছিটা এডোখৰ কাপোৰেৰে কোনোমতে গাটো ঢাকি অহা এই সকলেই আজি আমাৰ সকলোবোৰ ডাঙৰ ডাঙৰ কাৰখানা, উদ্যোগৰ গৰাকী হল। আৰু এই উদ্যোগপতি সকলৰ ওচৰত আমি বনুৱা- কেৰাণীৰ চাকৰি বিচাৰি জয়দেউ কাকুতি কৰিবলগীয়া হৈছে আজি অসমত কেইজন অসমীয়া উদ্যোগপতি আছে? যি দুই চাৰিজন আছে তেওঁলোকে অসমীয়াৰ নামেই শুশুনে। সেয়ে আজি আমাৰ অসমৰ সকলোবোৰ বৃহৎ বৃহৎ কাৰ-খানা অনা অসমীয়াৰ হাতত।

ভণ্ড তপস্বী নেতাবোৰেও ৰাইজক পোহৰৰ বাট দেখুৱাব নোৱাৰিলে।

প্ৰকৃত শিক্ষাৰে শিক্ষিত এচামে জন্মৰ পৰাই দেখি অহা এই প্ৰৱঞ্চনা, প্ৰতাৰনাৰ কাৰনবোৰ আজি বুজি উঠিছে। এই সকলে বুজি পাইছে কি দৰে ৰজাঘৰীয়া পিয়নটোৰ পৰা পুজিপতি ব্যৱসায়ী লৈকে সকলোৱেই ভিতিলৈকে দুৰ্নীতিত পোতখাই আছে। এই সকলৰ প্ৰতাৰনা, প্ৰৱঞ্চনাত প্ৰতিক্ষেত্ৰতে হতাশাৰ সন্মুখীন হোৱা সৰ্বহাৰা ৰাইজৰ দুখ-দুৰ্গতি দেখি সচেতন যুৱ সমাজৰ সুওমন জলন্ত অগ্নিপিণ্ডলৈ পৰ্যাবসিত হৈছে।

আমাৰ শতকৰা ৭০ ভাগ মানুহেই গাওঁ অঞ্চলত বাস কৰে। গতিকে এওঁলোকৰ

উংতিয়ে সমাজৰ উন্নতি, দেশৰ উন্নতি।

আজি অসমতে উৎপন্ন হোৱা চাহ-পাত, খাৰুৱাতেল আৰু অন্যান্য প্ৰাকৃতিক সম্পদৰাজি আমিবোৰে এতিয়াও চাৰিগুণ মূল্য দি ক্ৰয় কৰিব লাগে আৰু অসমৰ বাহিৰত সেইবোৰ অতি সুলভ মূল্যত বিক্ৰী হৈ আছে। অসমে ১০০ বছৰে দেশখনলৈ খাৰুৱা তেলৰ যোগান ধৰিলে। তাৰ বিনিময়ত অসমে কি পালে? দেশৰ শতকৰা ৬০ ভাগ চাহপাত অসমৰ, ইয়াৰ বিনিময়ত অসমে কিবা পাইছেনে? অসমৰ মাটিত বছৰি শ শ কোটি টকাৰ প্ৰাকৃতিক গেছ জ্বলি নষ্ট হয়, অথচ অসমবাসীক ব্যৱহাৰ কৰিবলৈ দিয়া নহয়, ইয়াৰ কাৰণ কি? বানপানীৰ ধ্বংসলীলা অসমত এনেই আছে, স্বাধীনতাৰ ৪০ বছৰৰ পাছত ব্ৰহ্মপুত্ৰ বৰ্ডহে কেৱল গঠন হল। নাম কাগজতে থাকিল, অসম দ্বিতীয় শ্ৰেণীৰ ৰাজ্য নেকী? কিন্তু এইদৰে আমি প্ৰবঞ্চিত হোৱাৰ কাৰণ কি? আমাৰ নূন্যতম প্ৰাপ্যখিনি বিচাৰিলেও আন্দোলন কৰিব লাগে কিয়? শহীদ নোহোৱাকৈ মৌখিক চুক্তি এখনো কিয় নহয়? আনকি নিজৰ ভাষা আৰু অস্তিত্বৰ বাবেও। বানপাণী অসমৰ সমস্যা বাবেই ইয়াৰ স্থায়ী সমাধান নাই। কিন্তু অসমীয়াই এইদৰে বানপানীত কিমান দিন ক্ৰন্দন কৰি থাকিব? এই প্ৰবঞ্চনাৰ অন্ত পেলাবলৈ অসমীয়া মাইজে অসমীয়া হৈ একেলগে ওলাই আহিবই লাগিব।

অসমীয়া বুলিকলে কেৱল অসমীয়া সকলকে বুজাব নোৱাৰি। এজন অসমীয়া লোকে অসমীয়া হব নোৱাৰে কিন্তু এজন অনাঅসমীয়া লোককো অসমীয়া বুলি কব পাৰি, যদিহে এই অনা অসমীয়ালোক জনে অসমৰ সুখত হাঁহে, দুখত কান্দে, এইয়ে মোৰ জন্মভূমি, এইয়ে মোৰ কৰ্মভূমি, এইয়ে মোৰ আই বুলি অসমৰ মাটি সাৱটি লয়, তেন্তে এজন অনা-অসমীয়ালোকো প্ৰকৃত অসমীয়া হব পাৰে।

দুৰ্নীতি পৰায়ন, স্বাৰ্থলোভী, দেশদ্ৰোহী লোক সকলৰ মৃত্যুদণ্ডই তেওঁলোকৰ বাবে সমুচিত শাস্তি। দেশত হাজাৰ হাজাৰ দুৰ্নীতি পৰায়নলোক আছে কিন্তু এই দুৰ্নীতি পৰায়ন সকলক মৃত্যুদণ্ড বিহোতা দুঃসাহসিক লোক আছে কেইজন? ভাৰতৰ প্ৰথম গৰাকী প্ৰধান মন্ত্ৰীয়ে দুৰ্নীতি পৰায়ন লোকক "লাইট-পোষ্টত" ফাচী দিব বুলি ঘোষনা কৰা কথা এতিয়া ইতিহাস হৈ ৰ'ল।

অসমীয়াৰ প্ৰতিক্ষনতে হতাশাৰ বাবেই আজি অসমীয়া জাতি আন জাতি বিলাকতকৈ বহু পিছ পৰি গৈছে। আমাৰ তথাকথিত নেতা পালিনেতাবোৰে বিলাসী জীৱন কটাইছে কিন্তু জনগনৰ হকে যুঁজ দিয়া নাই। আকৌ এচামে কু-অভিপ্ৰায়েৰে অসমতে বাসকৰি অসমৰে জলবায়ু সেৱন কৰি অসম, অসমীয়াৰ ভাষা-কৃষ্টি তথা অসমৰে স্বাৰ্থৰ বিৰুদ্ধে যুঁজিছে। সেয়ে অসমীয়া মাইজে এইসকল লোকক বিচাৰি উলিয়াবই লাগিব অন্যথাই অসম তথা অসমীয়াৰ পতন অনিবাৰ্য্য।

★★★★

# শিক্ষাৰ পৰিবেশত আধ্যাত্মিকতা

ললিত বকৰা
স্নাতক মহলা, ১ম বাৰ্ষিক

মানুহৰ দৃষ্টিভঙ্গী আৰু মানসিকতা সমাজৰ লগত খাপ খোৱাকৈ কলা সংস্কৃতি আৰু শিল্প কলাৰ নানা দিশ সম্প্ৰাতিক, সমাজত প্ৰৱৰ্তন কৰা হল। গীত, বাদ্য, নৃত্য, নাটক, কলা আদিয়ে ছাত্ৰ-ছাত্ৰীসকলৰ শিক্ষাত সুশৃংখলতা আনি দিয়ে কিন্তু কলা সংস্কৃতি আৰু ভৌতিক পদাৰ্থৰ লগত ছাত্ৰ-ছাত্ৰীৰ নিবিড় সম্পৰ্ক ঘটোৱাৰ উপৰিও যাতে সদব্যৱহাৰযুক্ত শান্ত পৰিবেশ এটা সৃষ্টি কৰিব পাৰে।

আজিকালি স্কুল কলেজত যি শিক্ষা দিয়া হৈছে সেয়া সাম্প্ৰতিক যুগৰ লগত খাপ খুৱাই এক যোগ্য ভোগা জীৱনযাপনৰ বাবে কৰিবলগীয়া অৰ্থোপাৰ্জনৰ শিক্ষাহে। আজি কালি ছাত্ৰসকলে ভাবে যে কিতাপ পঢ়িলেই জীৱনত সকলো শিক্ষা জ্ঞান আহৰণ কৰিব পাৰি। সেইয়া কিন্তু সঁচা নহয়। কাৰণ পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ হোৱাত জ্ঞানৰ পৰীক্ষাৰ হয় জানো? তেনে ছাত্ৰ-ছাত্ৰীৰ ব্যৱহাৰ মধুৰ হয়নে? তেওঁলোকে সমাজৰ মঙ্গলৰ অৰ্থে কিবা চিন্তা কৰিব পাৰেনে? শিক্ষা-দীক্ষাৰে পৰিপুষ্ট মনৰ গৰাকী হৈয়ো আজি বহুত লোকৰ চকুত টোপনি নাই, আহাৰত সন্তুষ্টতা নাই, মনৰ শান্তি নাই, কোনো কথা-কামত সন্তুষ্টি নাই। ইয়াৰ মূল কাৰণ হল তেওঁলোকে জীৱনত আধ্যাত্মিক অভিজ্ঞতা লাভ কৰিব পৰা নাই। আধ্যাত্মিক জ্ঞানৰ অভাৱৰ হেতুকেই আজি কালি ধনতান্ত্ৰিক সমাজত সকলো লোককে অৰ্থৰ চিন্তাই মানুহৰ নৈতিকজ্ঞানৰ আচ্ছন্ন কৰি ৰাখিছে।

বৰ্ত্তমান শিক্ষা এনে হোৱা উচিত যি শিক্ষাই জীৱন আৰু জীৱিকাৰ পথত সমান্তৰালভাৱে প্ৰভাৱ পেলাব পাৰে, যি শিক্ষাই মানুহক আত্মোপলব্ধি কৰাত অনুপ্ৰেৰণা যোগাব পাৰে। আজি কালি স্কুলত নৈতিকতাৰ প্ৰসঙ্গ থকা পাঠ্যক্ৰম আছে, কিন্তু পুথিগত জ্ঞান পুথিতহে আবদ্ধ হৈ আছে,

বাস্তৱত তাৰ প্ৰযোজ্য বা ছাত্ৰ-ছাত্ৰীক নিয়মিতভাৱে অভ্যাসৰ দ্বাৰা চৰিত্ৰ গঠন কৰাত সহায় কৰিব পৰা নাই। আজিকালি প্ৰতিযোগিতা, পৰীক্ষা আদিত নম্বৰৰ ওপৰত গুৰুত্ব দিয়াৰ বাবে সকলোৱে পুথিগত বিদ্যাৰ ওপৰতহে বেছি মনোযোগ দিয়ে। কিন্তু এই শিক্ষাৰ লগে লগে নৈতিক শিক্ষাবো যে অতি প্ৰয়োজন সেই কথাত কোনেও গুৰুত্ব আৰোপ কৰা নাই।

সাম্প্ৰতিক সময়ত সমাজ ব্যৱস্থাৰ লগত বজিতা খুৱাই ছাত্ৰসকলক যি শিক্ষা দিয়া হৈছে সেই শিক্ষাই চৰিত্ৰ গঠনত সহায় কৰিব নোৱাৰাৰ ফলত তেনে শিক্ষা মূল্যহীন হৈ পৰিছে। বৰ্তমান শিক্ষাৰ ক্ৰটিপূৰ্ণ দিশ হ'ল জীৱনৰ মূল লক্ষ্যৰ পৰা আঁতৰি অহাটো।

বৰ্ত্তমান চাৰিওফালে দেখা দিয়া ৰাজনৈতিক, অৰ্থনৈতিক, সামাজিক আদি নানা সমস্যাৰ বাবে মানুহৰ ব্যস্ততাৰ শেষ নাই আৰু এই বাবে মানুহ ব্যক্তিকেন্দ্ৰিক হৈ পৰিছে। এনে ধৰণৰ সমস্যা উপৰিও বৰ্ত্তমান আধ্যাত্মিক নিৰক্ষৰতাৰ হেতুকে সমস্যাত জৰ্জৰিত অভিভাৱকসকলে তেওঁলোকৰ জীৱনৰ লগত জড়িত কথা আৰু কাৰ্য্যত প্ৰকৃত আচৰণ দেখুৱাব পৰা নাই। তদুপৰি তেওঁলোকৰ আচৰণ লৰা ছোৱালীৰ, বাবে আদৰ্শস্বৰূপ হৈ পৰা নাই। সেই বাবেই উঠি অহা লৰা ছোৱালীয়ে জীৱনৰ মূল ভেটিটো গঢ় দিয়াত সুস্থ মানসিক তথা নৈতিক শিক্ষাৰ পৰিবেশৰ পৰা বঞ্চিত হৈ পৰিছে।

শিক্ষাৰ প্ৰকৃত উদ্দেশ্য হৈছে জ্ঞান, কৰ্মকুশলতা, মানসিক ভাৱসাম্যতা আৰু অন্তৰ্দৃষ্টি বৃদ্ধি কৰা। বৰ্তমান স্কুল কলেজত প্ৰদান কৰা শিক্ষাত গভীৰ জ্ঞান, মানসিক ভাৱসাম্যতা আৰু অন্তৰ্দৃষ্টি বৃদ্ধিৰ কোনো ব্যৱস্থা নাই। কাৰণ বৰ্তমান শিক্ষা ব্যৱস্থাৰ মূল উদ্দেশ্য হৈছে বিস্ময়কৰ বৌদ্ধিক কৃতিত্ব লাভ কৰা। শিক্ষাৰ উদ্দেশ্য হোৱা উচিত ছাত্ৰ-ছাত্ৰীৰ স্বাভাৱিক প্ৰকৃতি আৰু আবেগ সংশোধিত কৰি তেওঁলোকক শাৰীৰিক আৰু মানসিকভাৱে সংযত কৰি তুলিব পাৰি যাতে তেওঁলোকৰ অন্তৰ আৰু মনলৈ পবিত্ৰতা আনে।

বৰ্তমান স্কুল কলেজত বিভিন্ন দিশত যি বিলাক শিক্ষা দিয়া হয়, সেই শিক্ষাৰ উপৰিও সমান্তৰালভাৱে আধ্যাত্মিক জ্ঞানৰ সম্পৰ্কেও চৰ্চা কৰিব লাগে। বিজ্ঞানে পৰীক্ষা নিৰীক্ষাৰ যোগেদি ভৌতিক জগতৰ জ্ঞান আহৰণৰ বাবে সহায় কৰে। য'ত বিজ্ঞানৰ পৰিসমাপ্তি ঘটে তাৰ পৰাই আৰম্ভ হয় আধ্যাত্মিক বিজ্ঞান। আধ্যাত্মিকতাই আমাৰ অন্তৰৰ গভীৰতম দিশটোৰ সৈতে পৰিচয় কৰি দি সত্যৰ সন্ধান দিয়ে।

বৰ্তমান সমাজত দেখা দিয়া উশৃংখল

মাননিকতা আৰু নৈতিকতাৰ যি অৱনতি ঘটিছে তাৰ পৰা উঠি অহাচামক ৰক্ষা কৰাৰ একমাত্ৰ উপায় হ'ল আধ্যাত্মিক শিক্ষাদান। শিক্ষানুষ্ঠান বিলাকৰ সাত্বিক আচাৰ-নীতিৰ বাবে ব্যৱহাৰিক দিশত গুৰুত্ব আৰোপ কৰিব লাগে। মনৰ সুস্থতাই মনলৈ অসীম শক্তি আৰু প্ৰেৰণা আনে। বৰ্ত্তমান শিক্ষা পদ্ধতিত পুনৰ নৱজাগৰণৰ সঞ্চাৰ কৰা প্ৰয়োজন। এই উদ্দেশ্য সফল কৰিবলৈ হলে শিক্ষাৰ লগত সংশ্লিষ্ট সকলো ব্যক্তি, অভিভাৱক, পিতৃ-মাতৃ শিক্ষক-শিক্ষয়িত্ৰী আৰু সকলো পৰ্য্যায়ত শিক্ষাবিদসকলে ঐক্যবদ্ধ হৈ এক মানসিক পৰিৱৰ্তনৰ বাবে ঐকান্তিক চেষ্টা কৰা প্ৰয়োজন। এই ক্ষেত্ৰত বিশেষকৈ শিক্ষক-শিক্ষয়িত্ৰীসকলৰ দায়িত্ব আটাইতকৈ বেছি। নিস্বাৰ্থভাৱে তেওঁলোকৰ কৰ্ত্তব্য পালন কৰিবলে হলে তেওঁলোকে আধ্যাত্মিক চিন্তা-চৰ্চা, সাধনা আৰু একাগ্ৰতাৰে নিজৰ কৰ্ত্তব্য কৰিবলৈ গ'লহে আদৰ্শ হৈ থিয় দিব পাৰিব। তেতিয়াহে শৈক্ষিক পৰিবেশত পৰিৱৰ্তন অনাত সাৰ্থকতা লাভ কৰিব পাৰিব।



ভাৰতৰ সংবিধান এক বিস্ময়কৰ দেৱায়তন। আমি ইয়াক নিৰ্ম্মান কৰিছিলো দেৱতাৰ কাৰণে। কিন্তু সেই দেৱায়তন যথাৰীতি প্ৰতিষ্ঠা কৰাৰ আগতেই অসুৰবোৰে তাক অধিকাৰ কৰিলে। এতিয়া তাক জুইত পুৰি ধ্বংস কৰি দিয়াটোৱেই হল আমি কৰিব পৰা একমাত্ৰ কাম

ডঃ বি, আৰ, আম্বেদকাৰ

চুটি গল্প ঃ—

# অস্তমিত সূৰ্য্য

শ্ৰীৰাজীৱ কুমাৰ নেওগ
একাদশ শ্ৰেণী

ৰাচষ্টেণ্ডত ৰৈ থকা বাচখনৰ কাষত থিয় হৈ ৰঞ্জনে চিঞৰি আছে—ডিব্ৰুগড়, যোৰহাট"। ৰ'দ জাক আজি বৰ টানকৈ দিছে। ৰাতিপুৱা বতৰটো অলপ সেমেকা হৈ আছিল যদিও ক্ৰমান্বয়ে ফৰকাল হৈ আহিছে। ফাল্গুনৰ মলয়া বতাহ এছাটি বৈ অহাত ৰঞ্জনৰ গাটো বৰ চেঁচা লাগি আহিল। সি পুনৰ চিঞৰিবলৈ ধৰিলে "ডিব্ৰুগড়, যোৰহাট..........................।"

বাচ যোৱাৰ সময় হ'ল। বাচখন ষ্টাৰ্ট দিলে। ৰঞ্জনৰ চিঞৰবোৰ ক্ৰমে ক্ৰমে ঘন হৈ আহিবলৈ ধৰিলে। অৱশেষত বাচখন এৰিলে। বাচখন চলন্ত গতিত আগবাঢ়িব ধৰিলে। ৰঞ্জনে দুৱাৰমুখত ৰৈ বাহিৰৰ প্ৰাকৃতিক পৰিৱেশ চাই চাই আনন্দত বিভোৰ হৈ গ'ল। ফাল্গুনৰ পছোৱাই গছৰ পাত-বোৰ হকৰাই গছবোৰ নাঙঠ কৰি পেলাইছে। কি যে এক সুমধুৰ ক্ষণ! আজি কেইদিন মান হ'ল তাৰ মনটো বৰ বিষণ্ণ দেখা গৈছে। ভাব হয় তাৰ সি এজন বৰ প্ৰকৃতিবিদ হৈ পৰিছে। কেনে প্ৰকৃতিৰ বিমোহনীয় সমাৰোহ, কিমে মোহনীয় অসমৰ এই প্ৰাকৃতিক দৃশ্য।

এনেতে বাচৰপৰা কোনোবা মানুহ নামিবৰ যোগাতে ৰঞ্জনে বাচখনক ৰোৱাৰ সংকেত দিলে। বাচৰপৰা মানুহ নামিল আৰু দুজনমান স্কুলীয়া ল'ৰা উঠি আহিল। ৰঞ্জনে স্কুলীয়া ল'ৰাকেইজনক দেখি তাৰ স্কুলীয়া জীৱনটোলৈ মনত পৰি গ'ল। তাৰ মনটো যেন উৰি যাব ধৰিছে শৈশৱৰ সোনোৱালী দিনবোৰলৈ। সি ভাবিবলৈ ধৰিলে। মাথো ভাবিলে কিন্তু কোনো সদুত্তৰ পাবলৈ সক্ষম নহ'ল।

ৰঞ্জন আছিল পদুমনি গাঁৱৰ এখন মাধ্যমিক স্কুলৰ চতুৰ্থ শ্ৰেণীৰ চাকৰিয়াল মনিৰামৰ পুত্ৰ। মনিৰামৰ ঘৰখন এক হিচাবত ভালেই চলিছিল। ল'ৰা ছোৱালী চাৰিটাক লৈ ঘৰখন এক সুমধুৰ পৰিৱেশ, সুখৰ সংসাৰ গঢ়ি উঠিছিল। ৰঞ্জনৰ বায়েক

ৰশ্মি ভায়েক অঞ্জন আৰু ভনীয়েক ৰশ্মি ইহঁত চাৰিটাই আছিল ঘৰখনৰ উজ্বল জ্যোতিস্বৰূপ। মাক মধুমালা সৰল আৰু ধৰ্মৰ প্ৰতি অনুৰাগী নাৰী আছিল। ৰঞ্জন পঢ়াৰ ফালেও বৰ তীক্ষ্ণ বুদ্ধিৰ ছাত্ৰ আছিল। সৰুৰে পৰা সকলো শ্ৰেণীতে প্ৰথম স্থান পাবলৈ সক্ষম হৈছিল। ৰঞ্জনৰ পঢ়াৰ প্ৰতি থকা ধাউতিলৈ চাই শিক্ষকে তাক বৰ মৰম কৰিছিল আৰু তাক ভালদৰে চোৱা-চিতা কৰাৰ দায়িত্ব দিছিল। ঠিক তেনেদৰে ৰঞ্জনেও পঢ়াৰ প্ৰতি কোনো অৱহেলা নকৰি তাৰ অধ্যয়ন কাৰ্য্য অব্যাহত ৰাখিছিল। প্ৰাথমিক বৃত্তিৰ বাবে তাক শিক্ষকে বাছনি কৰিছিল আৰু পাৰ্যমানে উৎসাহ উদ্দীপনা দিছিল। শতকৰা ৮০ ভাগ নম্বৰ পাই সি প্ৰাথমিক বৃত্তিও পাইছিল।

বাচখন চলন্ত গতিত আগবাঢ়ি গৈ আছিল। বাচৰপৰা মানুহ নামিবৰ হোৱাত ৰঞ্জনে চিঞৰি উঠিল, " হালধীবাৰী তিনি আলি নামি আহক "। ৰখোৱাৰ সংকেত পাই ড্ৰাইভৰে গাড়ী ৰখাই দিয়াত মানুহ নামি আহিল। ইমান পৰে সি দেখি অহা তাৰ স্মৃতিৰ ৰোমন্থনকাৰী স্কুলীয়া ল'ৰা কেইজন নামি গ'ল। ইতিমধ্যে শিৱসাগৰ অভিমুখী যাত্ৰী দুজনমান উঠিল। ৰঞ্জনে বাচখন পুনৰ চলাৰ সংকেত দিয়াত বাচখন পুনৰ বায়ুবেগে আগ বাঢ়িল। স্কুলীয়া ল'ৰা কেইজন নামি যোৱা দেখি তাৰ মনটো পুনৰ সপোন জগতলৈ ঢাপলি মেলিল।

বৃত্তি পোৱাত তাৰ শিক্ষকে ৰঞ্জনৰ পিঠিত চপৰিয়াই কৈছিল " তুমি তোমাৰ ভবিষ্যৎ শিক্ষা জীৱনলৈ ঢাপলি মেলি বংশৰ তথা দেশৰ নাম উজ্বল কৰা "। সেই মুহূৰ্তত তাৰ মনটো যেন এনে লাগি গৈছিল যে সি কাহানিও বিচাৰি নোপোৱা অমৃতৰ ৰস যেন বিচাৰি পাইছে ভবিষ্যৎ জীৱনৰ উৎস হিচাপে। সি তেতিয়া মনে মনে ভাবিছিল ভালদৰে পঢ়ি শুনি মেট্ৰিকটো পাছ কৰি কলেজত পঢ়িব আৰু এজন ভাল ডাক্তৰ হব। সেইদৰে সি একাগ্ৰমনে পঢ়ি এম, ই, বৃত্তিও পালে আৰু এই বছৰ সি আগন্তুক মেট্ৰিক পৰীক্ষাত বহিবৰ বাবে সাজু হৈছে। পঢ়াৰ টেবুলত বহি সি মাথো ভাবিছে তাৰ ভৱিষ্যৎ শিক্ষা জীৱনৰ কথা। ভায়েকৰ যশস্যা দেখি বায়েক ৰশ্মিয়েও তাৰ বাবে যি দৰকাৰ তাকে যেনে তেনে কৰি গোটাই দিয়ে। বাপেকৰ আজি কেইমাহমান হ'ল কামলৈ যাব পৰা নাই। ৰঞ্জনৰ বাপেকৰ এক দুৰাৰোগ্য বেমাৰ টি, বি, আছে আৰু অনবৰতে কাঁহি থাকে। বাপেকৰ এনে অৱস্থা দেখি ৰঞ্জনৰো এইকেইদিন পঢ়া হোৱা নাই। ভায়েক আৰু ভনীয়েকেও দেউতাকৰ বেমাৰৰ বাবে পঢ়াৰ খৰচ গোটাব নোৱাৰাৰ ফলত স্কুললৈও যোৱা নাই। দুয়ো মাধ্যমিক স্কুলত পঢ়ে। বায়েক ৰশ্মিয়ে মেট্ৰিকৰ দেওনা পাৰ হব নোৱাৰি ঘৰতে বহি ঘৰৰ কাম বন কৰি দিন কটাইছে। কেইবামাহো বাপেক কামলৈ যাব নোৱৰাৰ ফলত ঘৰখন চলাটো বৰ কষ্টকৰ হৈ পৰিছে। মাকেও স্বামীৰ আৰোগ্যৰ বাবে ভগৱানৰ

ওচৰত প্ৰাৰ্থনা কৰি ভাগৰি পৰিছে। বাপেকে ঘৰখনৰ কথা চিন্তাকৰি ৰঞ্জনলৈ চাই ক'লে তই যাচোন হেডমাষ্টৰক কৰি কেইটামান টকা দি সহায় কৰিবলৈ। মই ভাল হৈ উঠিলে তাৰ ব্যৱস্থা কৰি দিম।

ৰঞ্জনে হেডমাষ্টৰৰ ওচৰলৈ গৈ দেউতাকে কোৱা কথা কেইষাৰ কোৱাত প্ৰধান শিক্ষক ৰজনী মাষ্টৰ গৰজি উঠিল আৰু ক'লে, "আজি কেইবামাহ মানেই হ'ল বাপেৰৰ কোনো খবৰেই নাই। অন্ততঃ আহি মাত এবাৰ লগাই থৈ যাব লাগে। তাতে আকৌ টকা লাগে। যা দেউতাৰক কবিগৈ টকা বৰ্ত্তমান মোৰ হাতত নাই। বৰ্তমানে মোৰেই ঘৰখন চলাবলৈ অসুবিধা হৈছে"। ৰজনী মাষ্টৰে একে উশাহতে কথাখিনি কৈ শেষ কৰিলে। ৰঞ্জনে বহুতো বুজাই বঢ়াই কোৱাৰ পাছতো মাষ্টাৰে একোকে শুনিব নিবিচাৰিলে। ৰঞ্জনৰ মনটো বৰ বেয়া লাগি গ'ল। এই মানুহবোৰ কেনেকুৱা বাৰু? এজন মানুহ মৰিয়া পাটীত পৰি মৃত্যুৰ পল গণি আছে আৰু ইহঁতে সাহায্যৰ হাত আগবঢ়োৱা দূৰেৰে কথা আৰু ক'লে পুনৰাই ধমকিহে দিয়। তাৰ যেন মন যাই এই মানুহবোৰৰ সকলোৰে আগত ভদ্ৰতাৰ মুখাবোৰ খুলি দি ইহঁতৰ প্ৰকৃত ৰূপ সমাজৰ আগত দাঙি ধৰিবলৈ কিন্তু তাকে কৰিবলৈ সি এতিয়াও বহুত সৰু হৈ আছে। কথাবোৰ ভাবি ভাবি ৰঞ্জনে মাষ্টৰৰ ঘৰৰ পৰা নিজৰ ঘৰ কেতিয়া পালেহি ক'বই নোৱাৰিলে। তাৰ মুখখনত ছানি ধৰিলে এক হতাশৰ ছাঁৰে। সি যেন সন্মুখত ধুৰঁলি-কুৰঁলি দেখিবলৈ পালে।

আজি ২৩ মাৰ্চ। ৰঞ্জনহঁতৰ আজিৰপৰা মেট্ৰিক পৰিক্ষা আৰম্ভ হৈছে। প্ৰথম দিনৰ পৰীক্ষা সি ভাল কৰিব নোৱাৰিলে। বাপেকৰ সঘনে আহি থকা কাঁহৰ শব্দই তাৰ কানত প্ৰতিধ্বনি হবলৈ ধৰিলে। সি ভালদৰে পঢ়িবলৈ ললেই বাপেকৰ কাঁহ আৰু কেকনিত তাৰ পঢ়াত বাৰে বাৰে ব্যাঘাত জন্মে। ৰঞ্জনে যেনে-তেনে পঢ়ি পৰীক্ষাটো দি শেষ কৰিলে। পৰীক্ষা তাৰ ভাল নাই হোৱা যদিও পাছ কৰাৰ ক্ষীণ আশা এটা আছে।

পৰীক্ষা দি ৰঞ্জনে ভাবিলে দেউতাকেৰেই একমাত্ৰ উপাৰ্জ্জনৰ পথে ঘৰখনৰ ৬টা প্ৰাণীক চলাই থকাটো বৰ অসুবিধা। তাতে এতিয়া বাপেকো মৰিয়া পাটিত। গতিকে সি মাজে-সময়ে বজাৰ হাট কৰি ঘৰখন কোনোমতে চলাই আছে। ভায়েকেও তামোল পানৰ দোকান দি ঘৰখন সুকলমে চলাই যোৱাত পাৰ্যমানে সহায় কৰি আছে। বায়েক ৰশ্মি, আৰু ৰশ্মি যে মাকৰ সহযোগত বাচকবনীয়া গামোচা, চাদৰ, মেখেলা বৈ বজাৰত বিক্ৰী কৰিবলৈ দি ঘৰখন চলোৱাৰ লগতে বাপেকৰ আৰোগ্যৰ চিকিৎসা কৰি আছে। মাক মধুমালাই ভাবে তাহানিৰ সেই সুখৰ সংসাৰখনৰ অৱস্থা আজি কি

দুঃস্বপ্নময়। মধুমালাৰ চকুৰে দুটোপাল চকুলো আহি হাতত পৰিলেহি কৰই নোৱাৰিলে।

মানুহে কব নোৱাৰে জীৱনৰ আয়ুস কাল কেতিয়া মানুহৰ জীৱনলৈ ক'লা ডাৱৰৰ চমকা কটিয়া আনে। সেই ক'লা ডাৱৰ নেওচি যোৱাটো বৰ অসম্ভৱ যেন লাগে। ৰঞ্জন হঁতৰ ঘৰখনলৈও সেই তেনে ধৰণৰেই এক ধুমুহা হৈ গ'ল। বহুদিন ৰোগৰ কবলত পৰি দেউতাকৰ অৱস্থা দিনক দিনে বেয়াৰ ফালে ঢাল খাবলৈ ধৰিলে। চিকিৎসাই কোনো ফল নধৰিলে। ৰঞ্জনহঁতক ওচৰলৈ মাতি আনি শেষবানী এষাৰ ক'লে "তহঁতে মিলিজুলি মোৰ সোনৰ সংসাৰখন গঢ়ি তুলিবি। ইয়াক ভাঙি যাবলৈ নিদিবি"। সেহাই সেহাই কথা কেইষাৰ কোৱাৰ পাছত ৰঞ্জনৰ দেউতাকৰ মূৰটো ৰঞ্জনৰ কোলাত ঢলি পৰিল। ৰঞ্জনহঁতে হিয়া ঢাকুৰি কান্দিলে। মাক মধুমালাৰ শিৰৰ সেন্দুৰকন চুবুৰীয়াৰ কোনোবা তিৰোতা এজনীয়ে চিৰকালৰ বাবে মচি দিলে। ৰঞ্জনৰ ভৰিৰ তলৰ মাটিখিনি খহি পৰা যেন তাৰ অনুমান হ'ল। সি জীৱনত যেন নেহেকুৰাব লগা বস্তু এটাকেই হেকুৰাই পেলালে। দেউতাকৰ মৃত্যুত ৰঞ্জনৰ মনটো ৰবকৈ ভাঙি পৰিলে। সি চাৰিওদিশ অন্ধকাৰ দেখিবলৈ পালে। ঘৰখনৰ পৰিস্থিতিলৈ চাই ৰঞ্জনে কঁকালত টঙালি বান্ধি জপিয়াই পৰিল জীৱনৰ সৈতে যুঁজ কৰি জীয়াই থকাৰ সাহসকন লৈ। সি নিজৰ ঘৰখন চলাই নিবৰ বাবে ৰহল পৃথিৱীখনলৈ ওলাই আহিল। বাচি ল'লে নিজকে জীয়াই ৰখাৰ পথ হিচাপে বাচৰ হেণ্ডিমেন। আজি সি 'সংগ্ৰাম' বাচৰ হেণ্ডিমেন। কিন্তু তাৰ লক্ষ্য আছিল ডাক্তৰ হোৱাৰ। কিযে বিধিৰ বিপাক।

বাচখন আহি আহি যোৰহাট পোৱাতহে তাৰ সম্বিত ঘুৰি আহিল। বাচৰ মানুহবিলাক নামি যোৱাত ৰঞ্জনৰো মনটো মুকলি মনেৰে সেই যাত্ৰীবোৰৰ মাজত বিলাই। কোনে জানে তাৰ দৰে হতভগীয়া এজনো কিজানি সেই যাত্ৰীবোৰৰ মাজত আছে। ক্ৰমান্বয়ে গধূলি হৈ আহিল। পশ্চিম আকাশত ৰঙাকৈ বেলিটো মাৰ যাব ধৰিছে। ৰাঙলী সেই অস্তমিত সূৰ্যৰ কিৰণে যেন ৰঞ্জনৰ জীৱনলৈ কঢ়িয়াই আনিলে এক ৰক্তাক্ত সুৰুযৰ ৰেঙনিৰ নতুন আভা।



প্ৰবন্ধ—

# স্বাৰ্থ এটি পৰ্য্যালোচনা

শ্ৰীৰাজীৱ ৰয়
স্নাতক ২য় বাৰ্ষিক

মানুহৰ মানসিক বিকাশ ঘটাৰ সময়ৰ পৰাই কথা এটা আমি শুনি আহিছো “মানুহ অৰ্থাৎ মানুহ নামৰ দুই ঠেঙীয়া জীৱবোৰ বৰ স্বাৰ্থপৰ” । কাৰোবাৰ দ্বাৰা আঘাত পালে বা কাৰোবাৰ দ্বাৰা কোন ক্ষতি হলে আমাৰ মুখৰ পৰা মাত এষাৰ ওলাই আহে “মানুহ বৰ স্বাৰ্থপৰ, কাৰো ভাল দেখিব নোৱাৰে ।” আমি ঘৰৰ পৰা কৰবাত বাহিৰত ফুৰিবলৈ বা চাকৰী সংক্ৰান্ত কোন কাৰণত যাব লগীয়া হলে ঘৰৰ প্ৰতিজন বয়সীয়া ব্যক্তিয়ে আমাক নানা বিষয়ে সাৱধান কৰে । এই সকলো সাৱধান বাণীৰ ভিতৰত এটা কথা আমি বেছিকৈ শুনিবলৈ পাও—“চাবি বিদেশত গৈছ, অলপ চাইছিতি চলিবি । কাকো বিশ্বাস নকৰিবি । মানুহবোৰ স্বাৰ্থপৰ । আজিকালি কোনোৱে কাৰো ভাল দেখিব নোৱাৰে মানুহলৈ সাৱধান ।” এনেকুৱা বহুতো কথা আমি বিভিন্ন ঠাইত শুনিবলৈ পাও । কিন্তু আমি বাৰু কেতিয়াবাও এই কথাষাৰ চিন্তা কৰি চাইছো নে যে মানুহ সঁচাকৈ স্বাৰ্থপৰ ? ই’ সঁচাকৈ বৰ সাংঘাতিক জীৱ নে ? মানুহ কি সঁচাকৈ ইমান হিংসাপৰায়ণ যে ই’ কাকো ভাল দেখিব নোৱাৰে ? ‘নহয়’ — এই কথাষাৰ আমি কেতিয়াও চিন্তা কৰি চোৱা নাই যদিও আমি এই কথাষাৰ চিন্তা কৰি চোৱা নাই তথাপি আপনালোকেই কওক চোন বাৰু এই কথাটো এটা চিন্তা কৰিব লগীয়া বিষয় হয় নে নহয় ! মানুহ অৰ্থাৎ আমাক যদি কোনোবাই বেয়া বুলি কয়, স্বাৰ্থপৰ কয়, হিংসাপৰায়ণ বুলি সম্বোধন কৰে তেনে হলে আমি বাৰু নিৰৱে থাকিম নে ? নহয়, আমি নিৰৱে নাথাকো । আমি এই বিষয়ে চিন্তা কৰিম যে যি দোষাৰোপ আমাক কৰা হৈছে আমি সঁচাকৈ ইয়াৰ উপযুক্ত নে । মই আপনালোকক এইটো প্ৰশ্ন নকৰো যে ইমান দিন আপনালোকে এই বিষয়লৈ মন কৰা নাই কেলৈ, মই অকল আপনালোকক আহ্বান জনাম যে “হে মানব সমাজ এতিয়া আমাৰ এইটো চিন্তা কৰিবলৈ সময় আহিছে যে আমি সঁচাকৈ প্ৰকৃত স্বাৰ্থপৰ হয় নে নহয় ? তেনে হলে

আহক আমি সকলোৰে লাগি এই বিষয়টি আলোচনাৰ মাধ্যমেৰে অলপ বিচাৰ বিবেচনা কৰোঁ।

আমি স্বাৰ্থপৰ হয় নে নহয় এইটো বিচাৰ কৰিব ললে আমি প্ৰথমে চাব লাগিব যে "স্বাৰ্থপৰতাৰ প্ৰকৃত সংজ্ঞা কি? স্বাৰ্থ-পৰতাৰ বৈশিষ্ট্য কি? স্বাৰ্থপৰতাৰ সংজ্ঞা আলোচনা কৰিবলৈ গলে আমাক কোনো-বাজনা মনিষীৰ এই সম্বন্ধে দিয়া সংজ্ঞাৰ আশ্ৰয় লব লাগিব। মই ভাবো ঋষি গৌতমৰ সংজ্ঞাই এই সম্বন্ধত দিয়া শ্ৰেষ্ঠ সংজ্ঞা।

ঋষি গৌতমে কৈছিল "স্বাৰ্থপৰ মানুহ সেইজন যিজনে নিঃস্বাৰ্থ ভাবে নিজৰ স্বাৰ্থপালন কৰে" স্ব + অৰ্থ = স্বাৰ্থ = (স্ব = নিজৰ, অৰ্থ = কাৰনে)। কি আচৰিত কথা? — স্বাৰ্থপৰ হবৰ কাৰনেও নিঃ স্বাৰ্থ হব লাগবি। অৰ্থাৎ আপুনি নিজৰ স্বাৰ্থ উদ্ধাৰৰ কাৰনে নিঃ স্বাৰ্থৰূপে খাটিব লাগিব। কি কেলেঙ্কাৰীয়া কথা। নহয়নে? আপুনি সকলো কামত স্বাৰ্থ দেখিব লাগিব। স্বাৰ্থ নথকা কোনো কাম কৰিব নোৱাৰে। স্বাৰ্থ নাথাকিলে হাঁহিবও নোৱাৰে, আকৌ স্বাৰ্থ নাথাকিলে কান্দিবও নোৱাৰে। স্বাৰ্থৰ বাহিৰে কোন কামেই কৰিব নোৱাৰে, সেইটো কৰিবলৈ গলে আপোনাৰ যিমানেই ইচ্ছা নকৰক কলেই। যদি আপুনি স্বাৰ্থ নথকা কোন এটি কামও যদি কৰে তেনে হলেই আপুনি প্ৰকৃত স্বাৰ্থপৰৰ সম্বন্ধিত সংগাটোৰ মৰ্য্যাদা কৰিব নোৱাৰে। অৰ্থাৎ দেখা গল যে আপুনি প্ৰতি পদক্ষেপত স্বাৰ্থ ৰক্ষাৰ কাৰনে চুড়ান্ত নিঃস্বাৰ্থ হব লাগিব। অৰ্থাৎ আপুনি নিঃস্বাৰ্থ ভাবে আপোনাৰ স্বাৰ্থ ৰক্ষাৰ ফালে নজৰ দিব লাগিব। ই বাৰু সম্ভৱ নে? ইংৰাজীতে এটা কথা আছে যে "the difference between defination and its practical application is nothing but a diffference between these two." আমি বাৰু পিছত এইটোলৈ আলোচনা কৰিম।

সংজ্ঞা গল, এতিয়া আমাৰ আলোচ্য বিষয় হব ইয়াৰ বৈশিষ্ট্য। ইয়াৰ বৈশিষ্ট্য বুলিবলৈ নতুনকৈ একুৰে কোৱাৰ নাই। ইয়াৰ সংগা অলোচনা কৰাৰ সময়ত আমি কৈছিলোঁয়েই যে—

১) প্ৰকৃত স্বাৰ্থপৰ হব গলে প্ৰতিটো পদতেই স্বাৰ্থৰ অন্বেষন কৰিব লাগিব।

২) নিঃস্বাৰ্থ ভাৱে স্বাৰ্থৰ পালন কৰিব লাগিব।

৩) স্বাৰ্থ নথকা কোন কাম কৰিব নোৱাৰে।

৪) স্বাৰ্থ উদ্ধাৰেই সকলো কামৰ মুখ্য উদ্দেশ্য হব লাগিব আৰু সদায় স্বাৰ্থৰ পথত চলিব লাগিব। এইবোৰেই হল স্বাৰ্থ পৰতাৰ বৈশিষ্ট্য।

আমি জানো কোনো মানুহক কিবা এটা বিশেষন অৰ্পন কৰিবলৈ হলে প্ৰথমে চাব লাগিব যে মানুহ জনৰ সেই বিশেষন উপযুক্ত বৈশিষ্ট্যবোৰ আছে নে নাই।

কাৰোবাক ধাৰ্মিক ব্যক্তিবুলি কব গলে প্ৰথমে-চাব লাগিব যে ধৰ্মৰ সকলোবোৰ বৈশিষ্ট্যই মানুহজনৰ ভিতৰত আছে নে নাই। যেনে প্ৰথমতঃ মানুহজনে সম্পুৰ্ণ ধৰ্মৰ অস্তিত্ব বজাই ৰাখিয়ে তেওঁৰ জীৱিকা অৰ্জন কৰিব লাগিব।

দ্বিতীয়তঃ ধৰ্মই তেওঁৰ একমাত্ৰ উদ্দেশ্য হব লাগিব। তৃতীয়তঃ ধৰ্ম ৰক্ষাৰ বাবে তেওঁ কোনো অধৰ্মৰ আশ্ৰয় লব নলগা হব লগিব। চতুৰ্থতঃ..........ইত্যাদি ইত্যাদি। সেইমতে কোনো ব্যক্তিক স্বাৰ্থপৰ বুলিব গলে প্ৰথমেই চাব লাগিব যে স্বাৰ্থপৰতাৰ লগত সংলগ্ন প্ৰতিটো বৈশিষ্ট্য তেওঁৰ চৰিত্ৰত আছে নে নাই। কাৰোবাৰ কোনোবা এটা বৈশিষ্ট্য লক্ষ্য কৰিয়েই তেওঁক কোনো বিশেষণ দিলে ই' কৰ্ণ চৰিত্ৰক ৰাম চৰিত্ৰ বুলি ভবাৰ দৰে ভুল হব পাৰে। আমাৰ আচল আলোচ্য বিষয় আছিল "মানুহ বৰ স্বাৰ্থপৰ"-এই কথাষাৰ সচাঁ নে মিছা? কিন্তু আমি এতিয়াও অপ্ৰাসংগিক কথা কৈ থকা বুলি আপোনাৰ ভুল হব পাৰে। আচলতে আমি লাহে লাহে মুখ্য বিষয়লৈ আগবাঢ়ি গৈ আছো।

মানুহ স্বাৰ্থপৰ হয়নে নহয় এই আলোচনা কৰিবলৈ হলে প্ৰথমে চাব লাগিব যে প্ৰকৃত স্বাৰ্থান্ধ মানুহে কি বিচাৰে। প্ৰকৃত স্বাৰ্থান্ধ মানুহ প্ৰথমতে নিজৰ আক্ষৰিক লাভ বিচাৰে। লাভ নথকা কোনো কাম তেঁও নকৰে। অৰ্থাৎ আমি ওপৰত আলোচনা কৰা বৈশিষ্ট্যবোৰৰ প্ৰতিটোই তেওঁ অনুসৰন কৰে। পিছে এটা কথা যে এইবোৰ বৈশিষ্ঠ্য পুংখানুপুংখ ৰূপে অনুসৰন কৰা কোনো মানুহৰ পক্ষে সম্ভব নে? নহয়-নহয়-নহয়! যদি হলহেতেন তেনেহলে পৃথিৱীখনত ইমান ধংসলীলা, ইমান অনিষ্ট-সাধন, অসংখ্য হত্যাকাণ্ড, ডকাইতি, ধৰ্ষন আদি নানান অপৰাধ মূলক ঘটনা ঘটি থাকিল হেতেন। আজি আমি প্ৰত্যেকে কিবা নহয় কিবা এটা হীন মন্যতাত ভুগি আছো। প্ৰত্যেকে প্ৰত্যেকৰ হানি বিচাৰো। আমাৰ ভিতৰৰ বহু মানুহেই অপৰাধ মূলক কাজকৰ্মত আনন্দিত হৈ নিজৰ বিকৃত ভাৱসাম্যহীন মানসিক অৱস্থাৰ পৰিচয় দি আছে। আজি গোটেই পৃথিৱীখনেই প্ৰায় বিভিন্ন ধৰনৰ সাম্প্ৰদায়িক সমস্যাত ভুগি আছে। বিভিন্ন ধৰ্মীয় তথা সাম্প্ৰদায়িক অশান্তিবোৰৰ কথা আমি বাতৰি কাকতত প্ৰায়েই পাই থাকো। এইবোৰ সমস্যা বাৰু মানুহৰ স্বাৰ্থসিদ্ধি কাৰনে সৃষ্টি হয় নে! মানুহ স্বাৰ্থপৰ হলে তাৰ প্ৰথম লক্ষ্যই হলহেতেন স্বাৰ্থসিদ্ধি। ৰাম জন্মভূমিই হোক বা বাবৰি মচজিদেই হওক ইয়াত আপোনাৰ বা মোৰ কি লাভ আছে? যদি আমি প্ৰকৃত স্বাৰ্থপৰ হ'লোহেতেন তেনেহলে এইবোৰ কথালৈ আমি মন নকৰিলোহেতেন। কাৰন এইবোৰত কতো আমাৰ স্বাৰ্থ উদ্ধাৰ নহয়। অজি অযোধ্যাত হিন্দু-মুচলমানৰ কাজিয়া লাগিলে আমাৰ উপমহাদেশখনতো তাৰ প্ৰভাৱ আহি পৰে। কেতিয়াবা এনেধৰনৰ ঘটনাত দেখা যায়যে এইবোৰ ঘটনালৈ হিন্দু-মুচলমানৰ ভিতৰত বেহা-বেপাৰলৈকে বন্ধ হৈ যায়। ইয়াত বাৰু বেপাৰীৰ অৰ্থাৎ মানুহৰ লাভ

হয়নে ক্ষতি হব। মাৰ্ক্স সাহাবে কি লিখিলে সেইটোলৈ আমি চৰকাৰক পাৰেক্ষনে গালি দিয়ো। ইয়াত বাৰু আমাৰ লাভ আছে নে ? মধ্যপ্ৰাচ্যত ইৰাক আৰু সন্মিলিত সেনাৰ ভিতৰত হোৱা যুদ্ধলৈ বাৰু আমি ভিক্ৰুগড়ত বহি ইয়াৰ ফলাফল আৰু দুই পক্ষৰ দোষ গুনলৈ তৰ্ক কাজিয়া কৰি ফুৰা নাই নে। যুদ্ধ হৈছে ইৰাক আৰু আমেৰিকাৰ ভিতৰত, সেইটোলৈ আমাৰ চিন্তা কৰাৰ কোনো কাৰন নাই। ইয়াত আমাৰ কোনো স্বাৰ্থ নাই, একো লাভ নাই। কিন্তু তথাপি জানি বুজিও এইবোৰলৈ আমি আলোচনাৰ পৰা কাজিয়ালৈকে কৰো বুলি কলেও বঢ়াই কোৱা নহয়। আমি অলপ চিন্তা কৰিলেই বুজিব পাৰিম যে আমি অৰ্থাৎ এই মনুষ্য সমাজৰ দুঠেঙীয়া জীৱবোৰে এনেকুৱা লাভ নথকা বহুত কাম কৰি আহিছে আৰু কৰি আছে। কিন্তু আমি স্বাৰ্থপৰতা সম্পৰ্কে যি সংগা পাইছো তাৰ লগত উপৰোক্ত ঘটনাৰ কোন মিল নাই। কিন্তু মানুহ বাৰে বাৰে সেই Neolethic age ৰ পৰাই এইবোৰ ঘটনাত জৰিত হৈ পৰিছে। এইবোৰ নানা ঘটনা বিচাৰ কৰিলে দেখা যায় যে মানুহ এনেধৰনৰ বহুত ঘটনাত লাভ লোকচান সম্বন্ধে উদাসীন হৈ উদ্দেশ্যহীন ভাবে যুক্ত হৈ পৰিছে। বোধ কৰো মানুহৰ মাজত থকা আবেগৰ উপস্থিতিই ইয়াৰ কাৰন। কিন্তু স্বাৰ্থপৰতায় কোনো আবেগ বা বিবেকৰ অস্তিত্ব স্বীকাৰ নকৰে। ইয়াৰ দ্বাৰা বুজা যায় যে যেহেতু মানুহৰ অন্তৰত আবেগ বুলি কোনো বস্তু বিদ্যমান তেতিয়া মানুহ কেতিয়াও প্ৰকৃত স্বাৰ্থপৰ হব নোৱাৰে। — 'yes' মানুহ কেতিয়াও প্ৰকৃত স্বাৰ্থপৰ নহয়। মানুহ স্বাৰ্থপৰ হলে বিজ্ঞানৰ তাবৎ তাবৎ আবিষ্কাৰ সম্ভৱ নহল হেতেন। কাৰন এই আবিষ্কাৰ বেছিভাগ ক্ষেত্ৰতেই আবিষ্কাৰকৰ কোনো কামত নাহে। গীতাঞ্জলী ৰবীন্দ্ৰনাথৰ নহয় - গোটেই বিশ্বৰ জনসাধাৰনক জ্ঞান দান কৰিছে। মানুহ যদি অকল স্বাৰ্থৰ পথতেই চলিলে হেতেন তেনেহলে মানুহৰ চন্দ্ৰত পদাৰ্পন সম্ভৱ নহল হেতেন। কাৰন চন্দ্ৰত সোন পোৱা নাজায়।

কিন্তু ইয়াৰ মাজতেও মানুহে কিছুমান এনেকুৱা গৰ্হিত কাম কৰে যাৰ কাৰনে আমি " স্বাৰ্থপৰ বিশেষনটি প্ৰয়োগ কৰিবলৈ বাধ্য হও। হব, এইসকলো ঘটনাৰ কাৰনে দোষী আমাৰ আবেগ। মানুহ আবেগত অন্ধ হৈয়েই এই কাম কৰে যদিও মানুহ প্ৰকৃত স্বাৰ্থপৰ নহয়। আচল কথা স্বাৰ্থপৰতা কোন ৰোগেই নহয়, ইয়াৰ কোনো Strong Oxistence নাই। অন্যান্য বেয়া বুজোৱা বিশেষন বোৰৰেই এটা বিশেষনহে মাত্ৰ। আৰু মানুহৰ চৰিত্ৰ কেতিয়াও এটা বিশেষন হব নোৱাৰে। এই সুদীৰ্ঘ আলোচনাই যদিও আমাক যথেষ্ট আমনি কৰিছে, তথাপি ইয়াৰ পৰা আমি নিশ্চয় বুজিব পাৰিছো যে মানুহ স্বাৰ্থপৰ নহয়। যদিও এই সম্বন্ধে কোনো সন্দেহ নাই যে আমি স্বাৰ্থপৰ নহয় তেনেহলে আমি কিয় মানুহহৈ

এই মিছা অপমান সহ্য কৰিম। ইয়াৰ প্ৰতি-কাৰৰ বাবে মই পুনৰ আপনালোকক অনুৰোধ কৰিছো যে —

হে মানৱ সমাজ , আহক আমি আমাৰ মিছা বদনামৰ পৰা ৰক্ষা কৰিবলৈ দৃঢ় হৈ একেলগে মুক্ত কণ্ঠেৰে চিঞৰি উঠো যে আমি অৰ্থাৎ মানুহ স্বাৰ্থপৰ নহয়-নহয়-নহয় । আমাক স্বাৰ্থপৰ বুলি ভবাটো আমাৰ এটা ভ্ৰমহে মাত্ৰ যাৰ কাৰন হৈছে আবেগ। আৰু এই আবেগেই আমাৰ প্ৰকৃত প্ৰযোজ্য বিশেষন।

( যিকোনো ভুলৰ কাৰনে নিঃসংকোচে ক্ষমা প্ৰাৰ্থী এই লিখক )

শিক্ষিত মানুহক নেতৃত্ব দিয়া সহজ কিন্তু তেওঁলোকক ভেৰাৰ পালৰ দৰে খেদি লৈ ফুৰোৱা টান। শিক্ষাৰ ফলত মানুহক শাসন কৰা সহজ হৈ পৰে, কিন্তু তেওঁলোকক দাসত পৰিনত কৰা হৈ পৰে অসম্ভৱ।

— লৰ্ড ব্ৰুহাম

প্ৰবন্ধ —

# জাতীয় কৃষ্টিৰ বাহক ' ৰঙালী বিহু '

শ্ৰী চন্দ্ৰকান্ত হাজৰিকা
স্নাতক প্ৰথম বাৰ্ষিক

অসমীয়া জাতীয় কৃষ্টি বিহু বছৰে বছৰে আমাৰ মাজলৈ আহে। প্ৰাচীন কালৰেপৰা বিভিন্ন ক্ৰিয়া কলাপ অনুস্থান বিভিন্ন ধৰনৰ উৎসৱৰ যোগেদি বিহুৱে অসমীয়াৰ জাতীয় কৃষ্টিৰ বাহক স্বৰূপে সাংস্কৃতিৰ বহুল পৰাৱক্ত নিজস্ব — স্বকীয় ইতিহাসত ৰেখাপাত কৰিবলৈ সক্ষম হৈছে।

ৰঙালী বিহু আমাৰ মাজত কেতিয়াৰ পৰা আৰম্ভ হল এই বিষয়ে এতিয়াও কোনো সঠিক মতামত নাপালেও বুৰঞ্জীবিদৰ মতে অতীততে অষ্টিক সকলে খেতিৰ আৰম্ভনিতে বসন্তোৎসৱ পাতি নৃত্য—গীত কৰি অসমত কৃষ্টি সভ্যতাৰ পাতনি মেলিছিল কিন্তু এই বসন্তোৎসৱ এয়োদশ শতাব্দীৰ পাচত আহোম ৰজা সকলে অসমীয়া জাতি গঢ় দিয়াৰ পাচত হে বছৰে বছৰে অসমীয়াৰ জাতীয় উৎসৱ বিহু' হিচাপে পালন কৰা হয়। সংস্কৃত 'বিষুব শব্দৰ পৰা বিহু নামাকৰন কৰা হয় বুলি অনুমান কৰা হৈছে।

বহাগৰ বিষুব সংক্ৰান্তিলৈ সূৰ্য্যই গতি কৰাৰ লগে লগে বসন্তই পৃথিৱীক নানা ৰূপত ৰূপৱতী কৰি তোলে। কপৌ, কেতেকী নাহৰ, তগৰ ফুলৰ সুবাসে মানুহ চৰাই চিৰিকতি আদিৰ সকলোৰে মন আনন্দত মতলীয়া কৰে। নৃত্য, গীত নানা ধৰনৰ খেল ধেমালীৰে ৰঙালী বিহু পাতি বসন্তক আদৰনি জনোৱা হয়।

সময়ৰ সোতত আমি সকলোৱে নিজৰ স্বকীয়া এখন ঘৰ পাতি আছো, যদিও সোতৰ প্ৰথম প্ৰধান সাক্ষী বিহুটিয়ে আজিও সোৱৰাই দিয়ে আমাৰ অতিতৰ চিনাকীৰ কথা সোৱৰাই আমাৰ পুৰনি মানসিক মিলনৰ কথা। সংস্কৃতিৰ ধৰ পেৰাটো মেলি চালে আমি দেখা পাম কছাৰী, ৰাভা, কাৰ্বি, লালুং কুকি অৰুনাচলৰ চিংফৌ, অবৰ অকা, ডফলা, মিচিমি, আদি, গলং, নগা ৰাজ্যৰ তাংছা, নক্তে, আঙ্গামী, চেমা, অনাক, আকৌ মেঘালয়ত খাচী জয়ন্তীয়া, গাৰো আৰু সকলোৱে

আমাৰ এতিয়াৰ চিনাকী নহয়। বংৰহইচৰ মিল থকা ৰঙালী বিহু উৎসৱটোৰে আমাৰ শ-শ বছৰৰ আগৰ পৰা থকা মিতিৰালিৰ কথা আজিও কয়।

অসমৰ চুকে কোনে পৰ্ব্বতে ভৈয়ামে এই ৰঙালী বিহু মহাপ্ৰয়োভৰেৰে পতা হয় পাৰ্থক্য মাথো সাজপাৰতহে ।

ৰঙালী বিহু আৰম্ভ হোৱাৰ প্ৰথম দিনাখন গৰুবিহু বুলি কোৱা হয় । সেইদিনা গৰুক গা-ধুওৱা, নতুন পঘা দিয়া, আদি গৰুবিহু পালন কৰা হয়। এই গৰু বিহু সম্ভৱত: আগতে বৈদিক যুগত গৰুক আৰ্থিক দিশত প্ৰয়োজনীয় বুলি কৰা পূজাৰ পৰাই ৰঙালী বিহুৰ লগত অন্তভূক্ত কৰা হয়। গতিকে সকলো অনুষ্ঠান প্ৰতিষ্ঠানতেই আৰ্য্য আৰ্য্যেতৰ সমাজ সংস্কৃতিৰ বহু নিদৰ্শন পোৱা যায়।

ৰঙালী বিহুৰ প্ৰতিতো নিয়ম কানুন বা ভাব ভঙ্গী বিশ্লেষন কৰি চালেই দেখা যায় সচাকৈ ই আমাৰ জাতীয় কৃষ্টিৰ বাহক স্বৰূপ ।

বিহুৰ প্ৰধান অংগ স্বৰূপ বিহুৱানথনৰ ৰঙা ৰঙৰ তৰংগটো অষ্ট্ৰিক সকলৰ অবদান বুলি কয়। বিহু নাচত বজোৱা গগনা তিব্বত বাৰ্মি সকলৰ অবদান। আনহাতে অসমৰ প্ৰত্যেক জন জাতিয়ে ঢোল, পেপা, নৃত্য গীত, গো-পূজ আদিত স্বকীয় নিয়মৰে বিহু পাতে । মুঠৰ ওপৰত সকলো জনগোষ্ঠিৰ মানুহে বিহু উৎসৱত নিজক বিচাৰি পায় । ৰঙালী বিহুৰ প্ৰতিটো নিয়ম কানুন বা ভাব ভঙ্গী বিশ্লেষন কৰি চালে দেখা যায় ই এটা মিলা প্ৰীতিৰ বান্ধোনহে। ইয়াৰ ওপৰিও জাতীয় কৃষ্টিৰ সভ্যতাৰ, কৃষি ভিত্তিত কৰা এক গনউৎসৱ ।

নিজৰ ঘৰ দুৱাৰ শুচি কৰি ইষ্টদেৱতাক পূজা পাতল কৰি, নতুন কাপোৰ পিন্ধি গৰু - গাইৰ যত্ন লৈ নৃত্য গীত ইত্যাদি পালন কৰি প্ৰত্যেকেই প্ৰয়োজনীয় জীৱ-জন্তু আৰু খেতি পথাৰৰ মঙ্গল কামনা কৰে ।

বং ধেমালীৰে এই ৰঙালী বিহুটিয়ে মানুহৰ মনত দিব পৰা বং আৰু আনন্দ আন কোনো উৎসবেই দিব পৰা নাই । এই বিহুৰ প্ৰতি কাৰ্য্যতে বং ধেমালী সন্নিবিষ্ট হৈ আছে । জনবিশ্বাস আছে যে এই ৰঙালী বিহুত আনন্দ নকৰিলে পৃথিৱীৰ উৰ্বৰা শক্তি নোৱাচে। এই গন উৎসৱে মানুহৰ মন-প্ৰান আনন্দত মতলীয়া কৰাৰ উপৰিও অন্তৰ্নিহিত হৈ থকা অকৃত্ৰিম স্নেহ আৰু শ্ৰদ্ধা জগাই তোলে । যাৰ সাক্ষী স্বৰূপে আজিও আমাৰ মাজত জিলিকি আছে ৰংপুৰৰ ৰংঘৰ, এই ৰংপুৰতেই অনুষ্ঠিত হোৱা খেল-ধেমালী, নৃত্য-গীত আদিত লৰা-ছোৱালী গাওঁৰ প্ৰজাকে আদি কৰি ৰাজ - ৰাজমাওঁ লৈকে উপভোগ কৰাৰ ইতিহাস সুঁৱৰিলে আমাৰ ৰঙালী বিহু জাতীয় কৃষ্টি হিচাপে কিমান তাৎপৰ্য্য পূৰ্ণ এই কথা উপলব্ধি কৰিব পাৰি ।

তেতিয়াৰ মহা-যুজ, মালযুজ শেন মেলি ৰংঢোৱা, হাতীৰ দৌৰ প্ৰদশন এতিয়াৰ ইতিহাস, যদিও অসমীয়াই বিহুক কেতিয়াও বাদ দিব নোৱাৰে। সময়ৰ সোঁতত নতুনত্ব পৰিবেশৰ লগত খাপখুৱাবলৈ বং ধেমালী, উৎসৱ আদিত আমাৰ অসমবাসীয়ে নতুনত্বৰে বিহুক আদৰিছে। কিন্তু বসন্তকালীন বিহু আমাৰ মাজলৈ সদায় একেদৰেই বছৰে বছৰে আহি আছে।

সময় গতিশীল। দেশক উন্নতিৰ পথত আগুৱাই যোৱাত সহায় কৰিবলৈ সেই গতিত আমি নিজকে খাপ-খুৱাই যোৱাৰ চেষ্টা নিতে কৰিব লাগিছোঁ। সেই চেষ্টাই আমাৰ মনলৈ নতুনত্ব ৰুচি.াই আনিছে। তাৰ দ্বাৰাই সৃষ্টি হৈছে আমাৰ জাতিয় কৃষ্টিৰ বাহক স্বৰূপ ৰঙালী বিহু উপলক্ষে মঞ্চত প্ৰদশন কৰা বিহু অনুষ্ঠানত ঢোল, পেপা গগনা, বিহুগীত, বিহুনৃত্য, গাভৰু বিহু, হুচৰি ইত্যাদিৰ প্ৰতিযোগিতা মূলক অনুষ্ঠানত। ঠায়ে ঠায়ে বহাগী আদৰনী, বহাগী বিদায় আদি অনুষ্ঠান পাতি নানা জাতি উপজাতিৰ লগত থকা আমাৰ পুৰণি চিনাকীৰ এনাজৰী ডাল বেছি কটকটীয়া কৰি ৰখা হৈছে।

বিহু সন্মিলন আকৰ্ষিত কৰি ৰখাত আজিৰ উৎসাহী ডেকা গাভৰুদলে সদায় আগভাগ লৈ আহিছে! এই উৎসাহ বা প্ৰেৰনা প্ৰত্যক্ষ ভাবে আমাক বিহু গীতেও আমাক যোগাই আহিছে।

ডেকা - গাভৰুৱে সজাই তোলা এই বিহুতলী খনত বিভিন্ন ভাষা - ভাষী লোক দৰ্শক হিচাবে গোট খায়। এই আনন্দৰ মাজ-মজিযাত ইজনে সিজনৰ ওচৰত ভাবৰ আদান প্ৰদান কৰাৰ সুযোগ পায়। ইয়াৰ জৰিয়তে আমাৰ মাজৰ জাতীয় কৃষ্টিৰ জৰিদাল বেছি কটকটীয়া হয়। এইদৰে নগৰ বোৰত অনুষ্ঠিত হোৱা বিহু সন্মিলন বোৰে আন্তঃৰাজ্যিক সম্প্ৰীতিত সদায় অৰিহনা যোগাই আহিছে। এই উৎসৱে অসমীয়া সমাজৰ সকলো শ্ৰেণীৰ মানুহৰ মাজত সমানে আশা আৰু আনন্দৰ জল বোৱাব পাৰে। ৰাজনীতিয়ে আমাৰ মাজত বিভাজন আনিলেও সংস্কৃতিয়ে ঐক্য আৰু সংহতিৰ সৃষ্টি কৰি দেশৰ উন্নতিত প্ৰেৰনা যোগায়। গতিকে দেশৰ উন্নতি সাধিবলৈ হলে প্ৰথমে আমি সংস্কৃতিৰ চাৰিবেৰ টনকিয়াল কৰিব লাগিবই।

আমাৰ সংস্কৃতি আমি নিজে টনকিয়াল কৰাৰ সময় আহি পৰিছে। আমাৰ জাতিয় কৃষ্টিক জীয়াই ৰাখিবলৈ পোৱা বাধা বিঘিনিকো আমি নিৰ্ভয়ে অতিক্ৰম কৰিবলৈ চেষ্টা কৰিলেহে আমাৰ দেশখন উন্নতিৰ পথত আগুৱাই যাব পাৰিব। এই সংহতিৰ বাবেই আমাৰ সাতখন ৰাজ্যৰ সাতভনী বিহু উৎসৱ আয়োজন কৰি আমাৰ বিহু সংস্কৃতিৰ প্ৰতি সন্মান প্ৰদৰ্শন কৰা হয়।

সকলো কথা পৰ্য্যালোচনা কৰিলে দেখা যায় আমাৰ জাতীয় জীৱনৰ সংস্কৃতিত

বিহুৰ নিয়ম কানুন যুগ-যুগান্তৰ ধৰি ঐতিহ্য আৰু ঐক্যৰ অংকুৰ বিহুত হৈ যোৱাত তাৎপৰ্য্যপূৰ্ন ভূমিকা গ্ৰহন কৰিছে। আমাৰ সংহতি তথা মিলনৰ এই গন - উৎসৱ বিহু এদিনতেই গঢ় লৈ উঠা নাই ই যুগ-যুগ ধৰি নানা পৰীক্ষা নিৰীক্ষাৰ পিচত বিভিন্ন জাতি উপজাতিয়ে নিজকে একোটা দেহতেই বিলীন কৰি এটা জাতি হিচাপে গঢ় দি এক চিৰন্তন মন্ত্ৰেৰে মহিমান হৈ বিহুক জাতীয় উৎসৱ স্বৰূপে গঢ় দি আহিছে।

সময়ৰ গতিৰ প্ৰতি লক্ষ্য কৰি আমি প্ৰত্যেকেই এই জাতীয় উৎসৱ বিহুক আমাৰ সংস্কৃতিৰ বাহক স্বৰূপে নতুন নতুন উচ্চ ভাব-ধাৰাৰে গঢ় দিলে আমাৰ অসমীয়া জাতি আৰু টনকীয়াল হব। আমিও মিলা প্ৰীতিৰ বান্ধোনেৰে উন্নতিৰ পথত আগুৱাই যাব পাৰিম।



অসমে নিজস্ব হেৰুৱাব নোৱাৰে আৰু নিজস্ব ৰক্ষাৰ নিমিত্তে অসমে আবশ্যক হলে সমগ্ৰ পৃথিৱীৰ বিপেক্ষেও থিয় দিব লাগিব। নহলে মই কম অসমত মানুহ নাই।

মহাত্মা গান্ধী —

প্ৰবন্ধ —

## ৰাষ্ট্ৰীয় সেৱা আঁচনি কাটন বাণিজ্য মহাবিদ্যালয় গোট

শ্ৰী প্ৰদীপ কুমাৰ চাহু
ভাৰপ্ৰাপ্ত অধ্যাপক, ৰাষ্ট্ৰীয় সেৱা আঁচনি

কাটন বাণিজ্য মহাবিদ্যালয়ত ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ প্ৰবৰ্ত্তন বহুতদিনৰ আগতেই আৰম্ভ কৰা হৈছিল। প্ৰথমতে অৱসৰ প্ৰাপ্ত অধ্যক্ষ এচ্, আহমেদ ইয়াৰ দায়িত্বত আছিল। তেখেতৰ দিনতেই মহাবিদ্যালয়ৰ প্ৰেক্ষাগৃহ বা হলঘৰটোৰ নিৰ্মাণত স্বেচ্ছাসেৱকসকলে শ্ৰমদান কৰি নিৰ্মাণকাৰ্য্য সম্পূৰ্ণ কৰি তুলিছিল। পিছত অধ্যাপক আৰ্, এন্, বৰদলাই দায়িত্বভাৰ গ্ৰহণ কৰে যদিও তেওঁখেতৰ দিনৰ কাম-কাজৰ কোনো নথি-পত্ৰ পোৱা নহ'ল। ইয়াৰ পিছত ভাৰপ্ৰাপ্ত উপাধ্যক্ষ এম্, এন্, দাসে দায়িত্বভাৰ গ্ৰহণ কৰি যথেষ্ট কাম-কাজ কৰে। তেখেতৰ দিনতেই স্বেচ্ছাসেৱকৰ সংখ্যা বৰ্তমানৰ ১২৫ জনলৈ বৃদ্ধি কৰা হয়। তেখেতৰ দিনত সাধাৰণ শিবিৰৰ লগতে কেইটামান বা বিশেষ শিবিৰ পতা হয়। এই লিখকে ১৯৮৮ চনত যদিও দায়িত্বভাৰ গ্ৰহণ কৰে তথাপি কাম-কাজ ১৯৮৯ চনৰ পৰাহে কৰাটো সম্ভৱপৰ হয়। যোৱা দুটা বছৰত বিভিন্ন অসুবিধা থকা স্বত্বেও সাধাৰণ শিবিৰ পতা হয়, এই ক্ষেত্ৰত ভাৰপ্ৰাপ্ত অধ্যক্ষ, ভাৰপ্ৰাপ্ত উপাধ্যক্ষ, স্বৰ্গীয় অধ্যাপক দেব বৰুৱা, অধ্যাপক ড: ভি, আৰ, শৰ, অধ্যাপক এইচ্, এন্, যাদৱ, শ্ৰী থানেশ্বৰ শইকীয়া, শ্ৰী মোহন ফুকন, শ্ৰী দেব বসু, শ্ৰী কৰুণা চৌধুৰী, চকিদাৰ গোপাল অধিকাৰী; পিলৰাম আদিৰ পৰা যথেষ্ট পৰামৰ্শ, সহায় সহযোগ পোৱা যায়।

### উদ্দেশ্য—

ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ উদ্দেশ্য মহৎ। চমুকৈ সামাজিক সেৱাৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীৰ ব্যক্তিগত উন্নয়ণ তথা উৎকৰ্ষ সাধন কৰাই ইয়াৰ উদ্দেশ্য। ইয়াক সম্পন্ন কৰিবলৈ স্বেচ্ছা-সেৱকসকলে সমাজিক পৰিবেশ - তথা ইয়াৰ আৱশ্যকতা আৰু সমস্যাবোৰৰ অধ্যয়ণ কৰি সেইবোৰৰ সমাধান বিচাৰি উলিয়াই নিজকে জড়িত কৰা, নিজৰ ভিতৰত সামাজিক আৰু পাৰিপাৰ্শ্বিক দায়িত্ববোধ গঢ়ি তোলা তথা শিক্ষাক কামত ব্যৱহাৰ কৰি ইয়াৰ উদ্দেশ্য সাধন কৰিব পাৰে।

গ্ৰাম্যঞ্চল, মহাবিদ্যালয়ৰ ভিতৰত বা অন্যান্য চহৰীয়া অঞ্চলত স্বেচ্ছাসেৱকসকলে সামাজিক কল্যাণমূলক কাম, মহাবিদ্যালয়ৰ উৎকৰ্ষ বৰ্ধন, খেল পথাৰ নিৰ্মাণ, স্বাস্থ্য সম্পৰ্কীয় কাম - কাজ, নিৰক্ষৰতা দূৰীকৰণ, গ্ৰামাঞ্চলৰ পথ নিৰ্মাণ, জনসাধাৰণৰ মাজত সঞ্চয়ৰ বৃদ্ধি-কৰণ, প্ৰৌঢ় শিক্ষা, অসামৰিক প্ৰতিৰক্ষাৰ প্ৰশিক্ষণ আদিৰ দৰে কাম- কাজ ৰাষ্ট্ৰীয় সেৱা আ.চঁনিৰ অধীনত কৰিব লগীয়া হয়।

## আচঁনী —

ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ শিবিৰ সমূহ প্ৰধানকৈ দুই ধৰণৰ হয়, প্ৰথম - সাধাৰণ শিবিৰ, দ্বিতীয় - বিশেষ শিবিৰ। সাধাৰণ শিবিৰৰ অন্তৰ্গত সপ্তাহৰ শেষত বা শ্ৰেণী সময় ( College hour ) ৰ পাছত শ্ৰমদান কৰিব লাগে। বছৰটোৰ ভিতৰত কমেও ১২০ ঘন্টাৰ শ্ৰমদান বাধ্যতামূলক। বিশেষ শিবিৰৰ অন্তৰ্গত শ্ৰমদানৰ স্থানত ১০ (দহ) দিনৰ শ্ৰমদান কৰিব লাগে। বিশেষ শিবিৰ গৰমৰ বন্ধ বা পূজা বন্ধৰ মাজত সম্পন্ন কৰিবলৈ নিৰ্দেশ দিয়া থাকে। কিয়নো বিশেষ শিবিৰৰ বাবে স্বেচ্ছাসেৱকসকলে শ্ৰমদা.ৰ স্থানত থাকিলব লগীয়া হয়।

## অন্যান্য —

মুঠ স্বেচ্ছাসেৱকৰ ১০% ছাত্ৰী স্বেচ্ছা-সেৱিকা হোৱাটো বাঞ্ছনীয় যদিহে মহাবিদ্যালয়খনত ছাত্ৰ - ছাত্ৰী উভয়ে শিক্ষা গ্ৰহন কৰে। কিন্তু পৰিতাপৰ বিষয় যে আমাৰ মহাবিদ্যালয়ত ছাত্ৰী যথেষ্ট সংখ্যক থকা স্বত্বেও প্ৰথম বছৰ চাৰিজনী আৰু দ্বিতীয় বছৰ আঠজনী ছাত্ৰীহে আচঁনিৰ প্ৰতি আগ্ৰহান্বিত হৈছিল। মুঠ ১২৫ সংখ্যাৰ অনুপাতে কমেও ১৩ জনী ছাত্ৰীয়ে যোগদান কৰাটো প্ৰয়োজন, ছাত্ৰ অৱশ্যে যথেষ্ট আগ্ৰহান্বিত হোৱা দেখা গৈছে। দুয়ো বছৰতে ১২৫ জনকৈ ছাত্ৰই আগ ভাগ লোৱা দেখা গৈছে। ছাত্ৰৰ আগ্ৰহলৈ লক্ষ্য ৰাখি স্বেচ্ছাসেৱকৰ সংখ্যা ১৫০ জনলৈ বৃদ্ধি কৰিবলৈ কৰ্তৃপক্ষৰ ওচৰত আবেদন কৰা হৈছে।

তদুপৰি, ছাত্ৰক স্বেচ্ছামূলক কামৰ বাবে প্ৰেৰিত কৰিবলৈ মহাবিদ্যালয়ৰ তৰফৰ পৰা ' শ্ৰেষ্ঠ স্বেচ্ছাসেৱকৰ প্ৰমাণ পত্ৰ ' দিবলৈ ব্যৱস্থা কৰা হৈছে। এই ক্ষেত্ৰত অধ্যক্ষ ডঃ চি. ডি, মিশ্ৰ দেৱৰ সহযোগিতা বিশেষভাৱে উল্লেখযোগ্য। এই সম্পৰ্কত তেখেতৰ লগত আলোচনা কৰাত তেখেতে বিশেষ উৎসাহ দেখুৱাই আৰু প্ৰমাণ - পত্ৰ ছপা কৰিবলৈ অনুমতি দিয়ে। যোৱা দুটা বছৰৰ শ্ৰেষ্ঠ স্বেচ্ছাসেৱকৰ তালিকাখন শেষলৈ দিয়া হৈছে

যোৱা দুটা বছৰত আচঁনিৰ অন্তৰ্গত স্বেচ্ছাসেৱকসকলে নিম্নোল্লিখিত কাম-কাজবোৰ সম্পন্ন কৰে :—

প্ৰথমতে, মহাবিদ্যালয়ৰ পটিকৰ পৰা গ্ৰন্থাগাৰলৈকে বাটচোৰা শিল আৰু ইটাৰে নিৰ্মিত কৰি অহাযোৱাৰ সুচল কৰি তোলে।

দ্বিতীয়তে, মহাবিদ্যালয়ৰ বাগিচাখনৰ উন্নতি সাধন কৰে, নতুনকৈ গছ - পুলিবো ৰোৱা হয়। কিন্তু পৰিতাপৰ বিষয় যে উপযুক্ত তত্ত্বাৱধানৰ অভাৱত সেইবোৰ নষ্ট হয়। এই সম্পৰ্কত কৰ্তৃপক্ষৰ দৃষ্টি আকৰ্ষণ কৰা স্বত্বেও বিশেষ ফল পোৱা নগ'ল।

তৃতীয়তে, মহাবিদ্যালয়ৰ শ্ৰেণী কোঠাসমূহ, অধ্যাপকৰ জিৰণি - চৰা, অধ্যক্ষ, উপাধ্যক্ষৰ কোঠাসমূহ পৰিস্কাৰ কৰা হয়।

চতুৰ্থতে, মহাবিদ্যালয়ৰ পুখুৰীটোৰ চাৰিওকাষ পৰিস্কৰ কৰি গছ - পুলি ৰোৱা হয় যদিও ৰক্ষণাবেক্ষণৰ অভাৱত সেইবোৰ নষ্ট হয়। এইবোৰৰ উপৰিও কানৈ মহাবিদ্যালয়ৰ ছাত্ৰী নিবাস, কানৈ মহাবিদ্যালয় চিৰিং - চাপৰি শ্মশান, তথা বৈৰাগী মঠৰ কামত স্বেচ্ছাসেৱক সকলে শ্ৰমদান কৰে।

এই বছৰ অৰ্থাৎ ১৯৯১—৯২ বৰ্ষৰ বাবে বিশ্ববিদ্যালয়ৰ পৰা অনুদান নোপোৱাত কোনো আচঁনি লব পৰা নগ'ল।

**শ্ৰেষ্ঠ স্বেচ্ছাসেৱকৰ তালিকা :—**

**১৯৮৯-৯০ বৰ্ষ :**

| | |
|---|---|
| ১। শ্ৰী পূৰ্ণকান্ত গগৈ | উঃ মাঃ ২য় বৰ্ষিক শ্ৰেণী |
| ২। " প্ৰসন্ন দত্ত | স্নাতক - ১ম বাৰ্ষিক " |
| ৩। " দীপক অধিকাৰী | ঐ |
| ৪। " মাৰ্গাৰেট দত্ত | ঐ |
| ৫। " পাৰ্থ ভৌমিক | ঐ |
| ৬। " শম্ভু নাথ যাদৱ | ঐ |
| ৭। " শিৱবাহাদুৰ চেত্ৰী | স্নাতক - ২য় বাৰ্ষিক শ্ৰেণী |
| ৮। " ৰতন দাস | ঐ |
| ৯। " শঙ্কৰ দাস | ঐ |
| ১০। " মনোজ কুমাৰ বৰুৱা | ঐ |

**১৯৯০ - ৯১ বৰ্ষ :**

| | |
|---|---|
| ১। শ্ৰী ৰাতুল গগৈ | উঃ মাঃ ১ম বাৰ্ষিক |
| ২। " পৰিমল মণ্ডল | ঐ |
| ৩। " কমলেশ্বৰ গগৈ | স্নাতক - ২য় বাৰ্ষিক |
| ৪। " ভবেন চেতীয়া | ঐ |

# স্মৃতি

শ্ৰীবিমান বৰা।
স্নাতক তৃতীয় বাৰ্ষি

১৯৬১ চনৰ ১৮ অক্টোবৰ মাহৰ দেও-বাৰে জন্মগ্ৰহণ কৰা গুনীন খাউণ্ড আমাৰ ডি, এইচ, এচ, কে, বানিজ্য মহাবিদ্যালয়ৰ পৰাই স্নাতক ডিগ্ৰী লৈছিল। যোৱা ১০ ফেব্ৰুৱাৰী ১৯৯১ তাৰিখে ডিব্ৰুগড় জিলাৰ নাহৰকটিয়াৰ সমীপবৰ্তী অঞ্চলত তেখেতৰ মৃত্যু হয়। মৃত্যুৰ সময়ত তেখেতে পিতৃ-মাতৃৰ উপৰিও ককাই-ভাই, বাই-ভনীক এৰি থৈ যায়।

মৃত্যুৰ আগেয়ে স্বৰ্গীয় গুনীন খাউণ্ড চাবুৱা আঞ্চলিক ছাত্ৰ সন্থাৰ ভাৰপ্ৰাপ্ত সভা-পতি, উপদেষ্টা, দাখাদেৱী বাছিবাছিয়া মহা বিদ্যালয়ৰ ক্ৰীড়া বিভাগৰ সম্পাদক, চাবুৱা বেৰিটোন সংঘৰ খেল বিভাগৰ সম্পাদক. নিয়-মিয়া খেলুৱৈ, গীত ৰ বাদক. নিয়মিয়া শৰীৰ চৰ্চা আদিৰ উপৰিও বিভিন্ন অনুস্থান প্ৰতিষ্ঠান আদিত সক্ৰিয় ভাবে জড়িত আছিল। অসম আন্দোলনৰ সময়ত বহু দুখ-কষ্ট কৰি জন-

সাধাৰণৰ মাজত সোমাই পৰিছিল। গাঁ
বাসীক গৈ দেশক, জাতিক উদ্ধাৰ কৰিবৰ
বুজনি দি ৰাজপথলৈ উলিয়াই আনিছিল

সৰুকালৰ পৰাই তেওঁ সকলো মানু
লগত মিলা প্ৰীতিৰে থাকি ভাল পাইছি
অনাৰ দুখ মুঠেই সহ্য কৰিব নোৱাৰিছি
উচ্চতৰ মাধ্যমিক বিদ্যালয়ত পঢ়ি থা
সময়তে দেশ-জাতিৰ উন্নতিৰ হকে বহু
কৰিছিল। গাওঁত যুৱক সংঘ, পুথি ভঁৰ
খেল পথাৰ ইত্যাদি গঢ়ি তোলাত প্ৰথমে
লৈছিল। কথা কোৱাৰ আৰু চলন ফুৰণ
খৰ আছিল সকলোকে খোলা অন্তৰেৰে
কৈছিল। নৱম মান শ্ৰেণীৰ পৰা নাট, কবি
উপন্যাস লিখিবলৈ আৰম্ভ কৰিছিল। তে
লিখিথৈ যোৱা কেইবাটাও কবিতা পোৱা
তাৰে দুটা কবিতা প্ৰকাশ কৰা হল।

# কবিতা -

## । আক্ৰোশ ।

বুজোঁবা মানসৰ জনছবিখনে
আমনি কৰিছে মোক - মোৰ মায়াবীৰ আত্মাক,
মই যে স্নান কৰা নাই মায়াৰ সাগৰত
মোৰ জাতিপ্ৰেমক সিহঁতে ঘিন কৰে
ভয়ত ভক্তি কৰে মোৰ ৰক্ষক
সিহঁতৰ লুভীয়া চকুহালে জুমি জুমি চাই
মোৰ জীৱন নাটৰ অভিনয়।

সংলাপবোৰ শুনি থমকি ৰয়।
সিহঁতৰ অ.াগত দিনবোৰ যে
একো একোটা চুটি গল্প
সেয়ে সিহঁতে মোক আঘাট কৰিছে
চুড়ান্ত আঘাত মৃত্যুলৈকে
তথাপিও মই জঁয়াই আছো
এটি উশাহৰ বাবে - এটি নিশাহৰ বাবে
মুক্ত ভাবে সেৱন কৰি "স্বাধীনতাৰ" সোৱাদ লবলৈ।

# । সংকল্প ।

বুকুত চেপি ৰাখিছো সংযম মোৰ
তথাপিও আৰ্ত্তনাদে
গগণ ফালি উকলি দিয়ে
মানৱতা ধৰি ৰক্ত পিপাসু দলৰ
ৰাজপথত উলঙ্গ নৃত্য
আনফালে
সহস্ৰ জনৰ সপোনৰ হাঁহি আৰু আনন্দ
চকুৰ টোপাল হৈ ধৰাত নিচিহ্ন
তেজৰ চেকুৰায়ে ধৰাখন
উৰ্ব্বৰা আৰু সেমেকা কৰিছে
নৱজাতে তাকেই চেলেকি
আত্মাৰৰ সোৱাদ বিচাৰিছে
শৰীৰৰ দুখ মোৰ মচি মচি ম্লা হৈ গৈছে
প্ৰতিকাৰৰ ঔষধ নাপাই
মৰন পন কৰিছে মৃত্যুৰ হতে খেলিবলৈ
অথচ
তোৰ ক্ৰোধৰ সমষ্ট গোন্ধ
দেহৰ চো পাশে
থৈছে নেকি কোনোবাই ৰাখি
তোৰ হাত দুখন চকু দুটা আৰু মুখখন
ইকাটি সিকাটি মাৰিলেই মোৰ পাবা
সান চোন আঘাট
তোৰ হাতেৰে চকুৰে আৰু মুখেৰে
মই বিজয়োল্লাসৰ উৎসৱ পাতো।

# হেৰা বন্ধু

শ্ৰীজগনাথ দুৱৰা।
স্নাতক ২য় বাৰ্ষিক।

[ হেৰা বন্ধু! বন্ধু গণ
গঢ়িম আমি একতাৰ দল
নেৰো আমি কেতিয়াও সন্ধীক্ষণ
বল, বল বন্ধু আগুৱায় বল।
যুজ দিম দেশৰ বাবে
খেদিম আমি দেশদ্ৰোহীক
খোজ দিম আমি একে সঙ্গে
নিজ দেশ নিদিও পৰক।
দেহৰ ৰঙা তেজ দি যাম দেশক
মচি যাম আমি কু-মন্ত্ৰনা
একতাৰ বলেৰে ৰাখিম দেশ মাতৃক
বিলাই যাম আমি মনৰ প্ৰেৰণা। ]
আছে আমাৰ বাহুত শক্তি সামৰ্থ
কৰিম আমি দেশ সেৱাৰ কাম
ত্যাগ কৰি যাম আমি নিজ স্বাৰ্থ
দেশৰ কাৰণে নিজকো বলি দি যাম
হেৰা বন্ধু! বন্ধু গণ
গঢ়িম আমি একতাৰ দল
নেৰো আমি কেতিয়াও সন্ধিক্ষণ
বল, বল বন্ধু আগুৱায় বল॥

# অপেক্ষা

শ্ৰীৰঞ্জন সোনোৱাল।
স্নাতক তৃতীয় বাৰ্ষিক।

বুজা নাই ?
এবাৰ গমিও চোৱা নাই ?
মোৰ যে নিৰৱ প্ৰাণে
হৃদয় এসোঁতা বিষাদ ভাৰবে,
বৈ আছোঁ তোমাৰ বাবেই
শুনাওঁ বুলি মোৰ
জীৱনৰ আধৰুৱা গীত।
বুজা নাই ?
এবাৰ মানো ?
তোমাৰ বাবেই মোৰ যে
গীতৰ ছন্দ
আজিও,
আধৰুৱা হ'ল।
জানা —
মোৰ যে
ধূসৰ কলিজা পুঞ্জত
এতিয়াও এসোঁতা
বেদনাৰ মেঘ ০০০০০॥

# স্মৃতিবোৰ

শ্ৰীশৰৎ দত্ত।
স্নাতক তৃতীয় বাৰ্ষিক।

কিনো উপমা দিম তোমাক
কলিজাৰ খণ্ডা তেজে
আঁকি যদি দিওঁ
তোমাৰ বাবে
থাকিবনে স্মৃতি
মানস পটত
সেই ক্ষণৰ কথা,
প্ৰাণৰ পাপৰিত
জাগি উঠে আশাৰ বাসনা
তোমাৰ সতে কৰা
ধেমালিৰ কথা ?
যদিও নেদেখো পাহৰনিৰ সপোন
তথাপি থাকিবনে
তোমাৰ অন্তৰৰ অৱৰুদ্ধ কোঠাত
অকনি সহানুভূতিৰ
এখনি চবি ?
আজি এই জ্ঞান মন্দিৰৰ
নিৰ্মালি গ্ৰহণৰ
যৱনিকাৰ পৰত
নিয়ৰৰ কণিকাৰ দৰে
অকনি নিগৰি অহা
অশ্ৰু মাখো
ধৰা দিছে চকুৰ মণিত।

# উত্তৰ আছে নে কাৰোবাৰ

শ্ৰীৰনজিত চেতীয়া
স্নাতক ৩য় বাৰ্ষিক।

বিশ্বৰ চকু আজি হৈছে নিবদ্ধ,
        মধ্যপ্ৰাচ্যত হৈছে ধ্বংসৰ যজ্ঞ ॥
সিন্ধু আজি মৰুপ্ৰান্ত।
        তেল আৰু তেজৰ ॥
আবৰি পৰিছে আজি জুই,
        পনীয়া সোণৰ ॥
কাৰোবাৰ হাতত আছে,
        ক্ষমতাৰ বাঘ ॥
কাৰোবাৰ হাতত আছে,
        জেদৰ ভাৱ ॥
নিজৰ স্বাৰ্থ, জেদ,
        পূৰণৰ অৰ্থে,
ঠেলি দিছে লাখ লাখ মনুষ্য,
        কাল গৰাহত ॥
মৰিছে হেজাৰ নিৰৱৰা মানুহ
        ভুগিছে অজান বেমাৰত
                কিহৰ বাবে ?
উত্তৰ আছে নে কাৰোবাৰ ?

# জাগিছে আজি পুনৰ অসম

শ্ৰীবিশ্ববিজয় ফুকন
প্ৰথম বাৰ্ষিক

জ্বলা জুইত ঘিও ঢালি
ছলাহী কথাৰে কাক ঠগিছা ?
ছহিদৰ আত্মাক ... ... ... ?
পাহৰি নাযাবা দেশৰ বৰমূৰীয়া ।
শুকোৱা নাই ছহিদৰ তেজৰ চেকুৰা
মৃত্যুৰ সমাধিত এতিয়াও জ্বলে
স্বাধীনতাৰ বিপ্লৱ ।
কিমান দিন ঠগিবা আৰু ?
তোকাতুৰক আহৰে পৰিশোধ
কেতিয়া কৰিবা ?
মৃত্যুৰ সমাধিত ... .... ... ।
আমি নিবিচাৰোঁ কন্তেকীয়া শান্তি
আমাক লাগে স্বাধীনতা,
আমাক লাগে স্বাধীন অসম
জাগিছে আজি পুনৰ অসম
আতঁৰাম শাসনৰ অবৈধ নীতি
হিংসাত হিংসা বাঢ়ে বাৰু ।
নাজানো ই পৰিতাপ নে গৌৰব ॥

# শতাব্দীৰ ৰুদ্ধ বেদনা

শ্ৰী ৰাজীৱ কুমাৰ নেওগ
একাদশ শ্ৰেণী

বিপ্লৱৰ অগনিৰ লেলিহান শিখাই
মোক মাথো দহি যায়
নোমোৱাৰ কোনো অৱকাশ,
কোনো সন্দেহ নাই
মই যে একেবাৰে নিৰুপায় ।

নিদ্ৰামগ্ন হৈ মই আছিলো জিৰাই
কিয় আহি মোক দিলাহি জগাই ?

পুৱতি নিশাতেই আহিল ৰণৰ হুংকাৰ
নিদ্ৰামগ্ন জগতখনি মাথো
তন্দ্ৰাভাঙি হৈ ৰল নিৰ্ব্বিক নিৰাকাৰ।

পুনঃ তেই নিনাদিত হ'ল ৰণৰ ৰণশিঙা
এতিয়াতে মই মাথো জাগ্ৰত সেনা
ৰণৰ ঢালেৰে সজু হ'লো
হাতৰ মুঠিও হ'ল তেজেৰে ৰঙা ।

বৰ্ব্বৰতাৰ করুণ দৃশ্য মাথো
ভাহি ৰ'ল মোৰ নিতাল জননীৰ
বন্দুক বাৰুদৰ ক'লা ধোঁৱাঁৰে
ধুৱঁলি কুৱঁলি হ'ল ৰণক্ষেত্ৰ মাতৃভূমিৰ ।

মৰাশৰ কৰাল কেঁচা তেজৰ চেকোৰা
ভোঙাভাঙি ধাৱমান হ'ল
বোৱন্তি সুতীৰ দৰে কেৱল
প্ৰবল বেগেৰে বৈ যোৱা যেন কাঠৰ টুকুৰা

প্ৰতিজন যুৱকৰ মৃত্যুৰ আৰ্তনাদ
নিতাল পৃথিৱীৰ কৰুণা ভেদি
ক্ষণেকো হৈ পৰিল অভিসাৰী
বশ্মিৰ নিৰ্মম আঘাতৰ ক্ষুদ্ৰ প্ৰতিবাদ ।

বুকুগুন কৰি এৰি যোৱা —
অজলা অনুপমা প্ৰতিজন
যুৱকৰ মাতৃৰ হিয়া ভৰা কৰুণ বিননি,

বননীৰ নিশাচৰ প্ৰাণীৰ
প্ৰতিবাদৰ তীব্ৰ শুনানী
থৰ হৈ ৰল মাথো
অভিশপ্ত ক্ষণৰ শুভ মেলানি ।

# ৰনভূমিত

তুলিকা দেৱী হাজৰীকা
প্ৰথম বাৰ্ষিকৰ ছাত্ৰী ।

আঁহা আমি সকলোৱে আগুৱাই যাওঁ—
নসাজেৰে সুকুমৰ কোমল পোহৰত —
সত্যৰ সময় বালিত — — — ।

আত্মবলেৰে যুঁজিম আমি দেশৰ উদ্ধাৰৰ হকে
প্ৰান বিসৰ্জন দিম আগবঢ়াই
আৰু দিম অতিকৈ আপোন সুন্দৰ বহল হৃদয়খনিক — ।

ভাৰত মাতৃয়ে সিঁচি দিয়া সোনালী শস্যৰ বীজ
নিমিষতে হব পৰিনত তাগৰ চ্ছায়াত
এপাহি কোমল পৰিস্ফুত ফুলৰ পাহিত — ।

তেজেৰে ৰাঙলী দেহাটোক আঁকোৱালি লৈ ----
হেৰুৱাব লাগিব তাৰ অস্তিত্ব ও ভাৱধাৰা,
পুনিৰ্মাৰ দোভাগ ৰাতিত ---- ।

তথাপিতো ৰনভূমিত ৰৈ যাব তৃপ্তিবোধক
সুপ্ৰভাত মধুৰ সংকলন ছুটি
সকলোৰে বিষাদ বেদনা ---- ।

প্ৰান পনে যুঁজিব লাগিব
মৃত্যুক সাবটি লৈ ---- ।

নকৰো অকনো ভয় মৰিবলৈ বুলি
বনভূমিত উপস্থিত হমগৈ ।

# দিবাস্বপ্ন

শ্ৰী অজিত দত্ত
স্নাতক তৃতীয় বাৰ্ষিক

তন্দ্ৰালু দুচকুৰ তন্ময়তা ভাঙি
স্বপ্নৰতা আকাশৰ জোৎস্নাৰ ৰূপালী জ্যোতি
হঠাতেই উদিত হৈছিল মোৰ মানস পটত।

সুপ্ত হৃদয়ৰ সুদূৰ সীমান্ত ভেদী
অনিৰ্বান জ্যোতিৰ মৌন মমতাৰাশি
উদ্ভাসি উঠিছিল নিয়ামক বেদীত স্থাপি।

জীৱনতকৈও ভালপোৱা অম্লান এই জ্যোতি
কলিজাৰ প্ৰতি ৰন্ধ্ৰে ৰন্ধ্ৰে বিয়পি
হৃদ্যতমা হৈ হৃদয় লভিছিল।

চুমাৰ পৰশেৰে সিক্ত ৰক্তিম প্ৰেৰণা
প্ৰস্ফুটিত হৈছিল দুটি মনৰ মাজত
মিলনৰ এটি কুসুম কলি।

কিন্তু, নিয়তিৰ নিষ্ঠুৰ উপহাসে
গ্ৰাসিত কৰিলে মিলনৰ মধুৰ মাধুৰিমা
শ্বাসত প্ৰেমৰ জ্যোতিস্মান আত্মা
বিস্মৃত হ'ল বঞ্চনাৰ গহ্বৰত।
প্ৰতীক্ষাৰত মোৰ কল্পনাৰ অনুপম জ্যোতি
হেৰাই গ'ল অমানিশাৰ প্ৰগাঢ় অন্ধকাৰত
দিবাস্বপ্নৰ দৰে -----
সমস্ত মোৰ মানস সত্বকে সমাধিস্থ কৰি।

# ঃ এটি কবিতা সমন্বৰ ঃ

শ্ৰী জীৱন ভুঞা
স্নাতক ২য় বাৰ্ষিক

অনন্ত প্ৰহৰী
আবেলিৰ হেঙুলীয়া সুৰুজে
য'ত মোক এৰি যায়,
তাতে সাথ পায়, মোৰ দেহৰ ভাঁজে ভাঁজে ব্যাপ্ত
আলোক সন্ধানী কবিতাই।

কিযে মিঠা ৰদ ঃ

মোৰ আশাৰ কবিতাই হাঁহে ---
কৈ কৈ শুনো, কাৰনো বাঁহীৰ মাত ?
বতাহতে ভাহে।

বং বিৰঙৰ ফুলৰ মিঠা গোন্ধ
সুবাসতে উটি আহে।

ৰিণ ৰিণ কৈ, টুকুৰা টুকুৰ হাঁহিবোৰো
বতাহতে বাজে।

চৌদিশে সুবাসত মিঠা মাটিৰ গোন্ধ,
মোৰ আশাৰ কবিতাৰ
হাঁহিবোৰ গান হয়,
মই গাওঁ তেতিয়া, মানুহৰ গান
মোৰ হৃদয়ৰ, সেউজীয়া পথাৰৰ
বুকুৰে বুকুৰে গজা শস্যৰ স্তুতান।

য'ত আছে লাৱনী বোৱনীৰ
প্ৰানৰ সঁফুৰা
আৰু অক্লান্ত কৃষকৰ
তেজৰ চেঁকুৰা ॥

—★—

# "জননী"

শ্ৰী মিণ্টু ৰাজকুমাৰ
স্নাতক ৩য় বাৰ্ষিক

নেকান্দিবা নেকান্দিবা মোৰ আই
মৰণকো পন কৰি আহিছো ওলাই আমি
তোমাৰ দুখৰ চকুলো মচিবলৈ
হাঁহি মুখে দিম আমাৰ প্ৰাণ
লাঞ্ছিত, মণিৰামৰ বংশধৰ আমি
নাই যে আমাৰ মৃত্যুলৈ ভয়
নোৱাৰো বুজাব অন্তৰৰ বেদনা
তোমাৰ চকুত চকুলো দেখিলে
হে মোৰ আই দিয়া আশীৰ্বাদ
শিৰত লৈ কৰো শত্ৰুৰ বিনাশ ॥

ৰস ৰচনা

# বানপানী

শ্ৰী দিগন্ত চেতিয়া
একাদশ শ্ৰেণী

বানপানী অসমৰ বিহুৰ দৰেই এটা জাতীয় উৎসৱ বুলি কব পাৰি। ৰঙালি বিহুৰ শেষ হোৱাৰপাচতেই এই উৎসৱটি আৰম্ভ হয় আৰু সাধাৰণতে ভাদ মাহলৈকে ছেগা চোৰাকৈ বানপানী হোৱা দেখা যায়। কেতিয়াবা অৱশ্যে আহিন কাতি মাহতো এই উৎসৱ হোৱা দেখা যায়।

বানপানীৰ কোনো ৰীতি নীতি নাই আৰু ইয়াৰ কোনো নিয়মো নাই। ইয়াৰ কোনো অৰ্থও নাই ব্যাকৰণো নাই। কেৱল নাই আৰু নাই। ঘৰৰ ভিতৰত আছে নৈ, পথাৰত ভৰপূৰ মাত্ৰ পানী আৰু পানী। পূৰ্ব পশ্চিম, উত্তৰ, দক্ষিণ; চাৰিও-দিশে কেৱল পানী। পানীৰ লগত আৰু হাহাকাৰ আৰ্তনাদ বিলৈ বিপত্তি পুত্ৰহাৰা মাকৰ কৰুণ বিননি অসহায় পিতৃৰ নিৰৱ চকুলো বানপানীৰ লগৰীয়া। সেয়ে ইয়াৰ ভয়ংকৰ আদ্ভুত নামও আছে যাক আমি বানপানী বুলি কলে ভয় লাগে। অৱশ্যে ইয়াৰ এটা ভদ্ৰ নামো আছে ইয়াৰ ভদ্ৰ নামটো হ'ল প্লাৱন।

অসমৰ বানপানী নামৰ উৎসৱটি জকাই চুকীয়া গাওঁক কেন্দ্ৰ কৰি জেৰহি, পানী-তোলা, বৰুৱাহোলা, চেতিয়া পথাৰ, নাজিৰা, দগুচুক, চুঙ্গিচুক আদি গাওঁক আৰম্ভ কৰি নগৰ, চহৰৰ, সকলোতে ইয়াৰ সমান পয়োজন। ধনী দুখীয়াৰ কথা নাই, হিন্দু মুছলমান জাতি ভেদৰ প্ৰথা নাই। সকলোৰে বানপানী আৰম্ভ হোৱাৰ লগে লগে ওখ ঠাইলৈ জীৱন ৰক্ষা কৰিবলৈ একে লগে বাস কৰিবলৈ যায়। সকলোৰে একে লগে পালন কৰা বাবে এই উৎসৱটিক সাৰ্বজনীন উৎসৱো বুলিব পাৰি। বানপানীৰ প্ৰাকৃতিক দৃশ্য মনোৰম। নিশা যদি বানপানী চোৱা হয় জোনৰ পোহৰত জিলিকি উঠে। পানীৰ তল, বল, নৃত্য ৰঙালি বিহুৰ সন্মিলনত নচা নাচনিৰ ককাল ভঙাতকৈও বেছি মনোৰম বুলি কিছুলোকৰ মুখত কোৱা শুনিছো। লগতে

হেনো পানীৰ খল-খলনী, ভেকুলীৰ টোৰ-টোৰণি নীড় হেৰুৱা চৰাইৰ গীতে সোণত সুৱগা চৰায়। সেয়ে দেশৰ ডাঙৰ ডাঙৰ নেতা সকলে বানপানী চাবলৈ যায়। মানুহবোৰক বিভিন্ন ধৰণৰ দিহা পৰামৰ্শ দিয়ে।

বানপানীৰ প্ৰভাৱ সুদূৰ প্ৰসাৰি। এচামৰ বাবে বানপানী জীয়াই থকাৰ মহা-ৰণ আৰু আন এচামৰ বাবে ই আলাউদ্দিনৰ আচৰিত বন্তি। বানপানীত নিপীড়িত নিৰ্য্যা-তিত লোকৰ বাবে বিভিন্ন অনুষ্ঠানে নগৰে চহৰে গাঁৱে-ভূঞে দান বৰঙণি সংগ্ৰহ কৰে। কেতিয়াবা এই দেশ হিতৈষী অনুষ্ঠানৰ নেতা জনে ৰাইজৰ দান বৰঙণি উদৰপূৰ কৰে বুলিও শুনিছো। বানপানীয়ে মহাজনৰ কপাল মুকলি কৰে। বহুদিন ধৰি পৰি থকা দ্ৰব্যবোৰ যিবোৰ গেলা পচা বুলি পৰিচিত বস্তু, সেইবোৰো বানপানী হ'লে দুৰ্লভ হৈ পৰে। ৰাজনৈতিক নেতাবোৰৰ বাবে বানপানী সোণৰ কণি পৰা হাইজনি বুলি ক'ব পাৰি। নেতাবোৰে বান-পানী নামৰ এই উৎসৱটিও ওখ ঠাইত বাস কৰি থকা মানুহবোৰক কিছু ভেজাল খাদ্য দি ভোটৰ বাবে বাট মুকলি কৰে। বানপানীৰ কবলত পৰা মানুহবোৰেও এই ভেজাল বস্তু বোৰ খাই নানা ধৰণৰ ৰোগত পৰি বৈকুণ্ঠলৈ প্ৰয়ান কৰে। গতিকে ইমান উপকাৰী সোণৰ কণি পৰা হাঁহ জনী দেশৰ দেশৰ নেতা সকলে কেতিয়াও পেট ফালি চুখিবাম হব নোৱাৰে। এই হাঁহ জনী সমূহ ৰাইজে একগোট হৈ বান্ধি এবাল দিব লাগিব। তেতিয়াহে যদি হাঁহ জনী সকলোৰে বাবে সেই সোণৰ কণি পৰা হাঁহ জনী হ'ব।

—✲✲—

# নিবনুৱা

শ্ৰী বিশ্ববিজয় ফুকন
একাদশ শ্ৰেণী

আজি চাৰি বছৰে চাকৰি এটা বিচাৰি তিক্ত অভিজ্ঞতা লৈ অৰুণ বৰ্তমান ঘৰত বহি আছে। তেওঁৰ দৰে কৰ্মাচ গ্ৰেজুৱেটৰ চাৰ্টিফিকেত লৈ কিমান জনে বাটাই ঘাটে ঘূৰি ফুৰিছে তাৰ কোনো লেখ-জোখ নাই। অৰুণে চাকৰি নোপোৱা নহয় পাইছে, কিন্তু গ্ৰেজুৱেটৰ চাৰ্টিফিকেতৰ লগত লাগে এটা শকত টকাৰ টোপোলা, সেই খিনি অৰুণ বা অৰুণৰ দেউতাকৰ সামৰ্থ নাই। গতিকে চাকৰিৰ কথাটো একৰকম বাদেই দিলে অৰুণে। কিন্তু কিবা এটা কৰি খাবলৈতো লাগিব। মাহৰ মূৰৰ দেউতাকৰ পেঞ্চনৰ টকাকেইটা আশা কৰি থাকিবলৈ নিজৰে লাজ লগা হল। ঠিকা-ঠুকলি কৰিবলৈকো লাগে শকত মূল ধন।

অনেক ভাবি চিন্তি অৰুণে কথা এটা ঠিক কৰি পেলালে। "স্বাৱলম্বী হওঁ আহক" কথাষাৰকে সাৰোগত কৰি বজাৰৰ আচুতীয়াকৈ থকা ঠাইডোখৰত এখন শাক পাচলিৰ দোকান খুলি পেলালে। ঠাইডোখৰ এনেয়ে পৰি আছিল। অসমীয়া যুৱক এজন আগবাঢ়ি অহাত টাউন কমিটিৰ চেয়াৰমেন বৰুৱাই বিনা দ্বিধাই অনুজ্ঞা পত্ৰখন দি দিলে। সামান্য মূলধনেৰে ব্যৱসায়টো আৰম্ভ কৰি দিলে অৰুণে।

এজন কমাৰ্ছ গ্ৰেজুৱেট হৈ শাক পাচলি বেচিবলৈ লোৱাত বহুতেই বহুত ধৰণে সমালোচনা কৰিবলৈ ধৰিলে। আজিকালি শিক্ষাৰ কি মূল্য --- আছে। শাক-পাচলি বেচিবলৈ কিবা গ্ৰেজুৱেট হব লাগে নে। কিছুমানে কলে ভালেই কৰিছে, সক-ডাঙৰ সকলোবোৰ ব্যৱসায় অসমীয়া মানুহৰ হাতলৈ আনিব লাগিব। তাৰ লগৰবোৰে কিন্তু মুঠেই ভাল নাপালে, বিশেষকৈ নিবনুৱাকেইজনে। সেই অৰুণটোলৈ চা চোন। সি চালা সব খতম কৰি দিলে। আজিকালি ঘৰত পইচা খুজিলে কয় অৰুণৰ দৰে বজাৰত শাক পাচলি নেবেচ কেলেই? প্ৰথমে অৰুণক দেখি বিহাৰী চব্জীৱালাকেইটাৰ চকু ডাঙৰ

হৈ গল, আৰে অৰুণবাবু ! আপুনি চক্তী বেচিব ।। তেতিয়াহলে আমি বাচন - বৰ্তন লৈ দেচলৈ যাবলৈ লাগিব ! কিয় যাব লাগে, মযো বেচিম তহঁতেওঁ বেচ । নহয় বাবু আমাৰতো লিখা - পঢ়া নাই । এইসব কাৰবাৰ কৰিয়ে বাল - বাচ্চা পুহি আছো । যদি আপোনালোক সকলোৱে এই কাৰবাৰত লাগি যায় আমিসবে দেচলৈ নগৈ কৰিম কি ? তহঁতে ভয় খাব নালাগে । অসমীয়া মানুহখিনি ইমান অকৃতজ্ঞ নহয় । বহিৰাগতৰ প্ৰতি অন্ততঃ এইকন দৰদ আছে ।

কিছুদিন ব্যৱসাৰ কৰাৰ পাছত অৰুণে বুজিলে সৰু হলেও এনেবোৰ কাৰবাৰত যথেষ্ট লাভ হয় । জেপ খৰছকে আদি কৰি এটা সৰু পৰিয়াল আঠটাম টোকাৰীকৈ চলাই দিব পাৰি । ৰাতিপুৱাৰ পৰা গধূলিলৈ এনেয়ে চাহ ল দি ফুৰা সৰা কেৰা জনগে অৰুণে কৈ চালে, চেয়াৰমেনক কৈ তেওঁৰ কাষতে ঠাই এডোখৰ উলিয়াই দিব পাৰিব, কিন্তু কোনো এজনেই আগবাঢ়ি আহিবলৈ ইচ্ছা নকৰিলে । সন্মান যায় । এইবোৰ অতি নিকৃষ্ট কাম বুলিয়ে ভাবে । অথচ ভুৱা সংগঠনৰ নামত ব্যৱসায়ীসকলৰ পৰা জোৰ জুলুমভাৱে চান্দা সংগ্ৰহ কৰি কেনে ধৰণৰ সন্মান ৰক্ষা কৰিব বিচাৰে অৰুণে একো ভাবি নাপায় ।

অপ্ৰত্যাশিতভাৱে ঘৰত আন এটা সমস্যাৰ সন্মুখীন হল অৰুণে । সি ঘোৰ আপত্তি কৰিছিল । কিন্তু কোনো পধোই ঘৰত নামানিলে । চাকৰি নাই কি হল, সেইবুলিয়ে জই বিয়াও নপতাকৈ থাকিবিনে ? ঘৰৰ একমাত্ৰ লৰা অৰুণ । আঠ দহজনৰ দৰে নো বোৱাৰীৰ মুখ চাবলৈ ইচ্ছা কৰাটো স্বাভাৱিক কথা । ঘৰত যি গৰাকী ছোৱালীৰ কথা কৈছে অৰুণে চিনি নাপায় আৰু কোনো দিনেই দেখাও নাই । তাহানি পাঠশালা স্কুলত পঢ়া দিনৰ দেউতাৰ বন্ধু যেকৰ ছোৱালী । নামটো শুনিছে বৰ্ণালী । কোনোবা চৰকাৰী অফিচত চাকৰি এটা কৰি থকা বুলিও জানিব পাৰিছে ।

ভবামতে কামটো হৈ নুঠিল । ছোৱালীগৰাকীয়ে অৰুণৰ সৈতে বিয়া সোমাবলৈ অস্বীকাৰ কৰিলে । তাইৰ সৈতে হেনো ষ্টেণ্ডাৰ্ড নিমিলে । আজি কালি যুগটোৱেই বেলেগ । শিক্ষিত হলেও নিবনুৱাৰ কোনো মূল্য নাই । চাকৰি আৰু ধনেহে ষ্টেণ্ডাৰ্ড বঢ়াই ৰাখে । অৰুণৰ নিজৰে ভুল, কচু বেপাৰী হৈ তেনেএগৰাকী ছোৱালীলৈ হাত মেলা মানে আকাশ কুসুম বিচৰা । যে নকৈ নহওক সিতো তাইৰকথা কোৱা নাছিল, ঘৰৰহে তাক জোৰ কৰিছিলে ।

অৰুণৰ ভাগ্য সুপ্ৰসন্ন আছিল । বেঙ্কৰ চাকৰিটো হঠাৎ পাই গল ।

শাক পাচলিৰ দোকানখন অনিচ্ছা সত্বেও এৰি থলৈ বাধ্য হল । ঠাইকন এজন অনাঅসমীয়াক এৰি দিবলগীয়া হোৱাত্তহে মনত আটাইতকৈ দুখ পালে । অসমীয়া যুবকসকলে এই কাৰবাৰ নকৰে অৰুণে বহুত্ত আগতেই এনে অভিজ্ঞতা পাই আছিছে, গতিকে অনেক সোধাৰ প্ৰয়োজন নহল ।

দুৰ্গা পূজাৰ দীঘলীয়া বন্ধ এটাত অৰুণ ঘৰলৈ আহিছিল । মাক দেউতাকে পুনৰ বিয়াৰ প্ৰসঙ্গ উলিয়ালে । বয়স সদায় বৈ নাথাকে । বৰ্তমান এটা কৰ্মসংস্থানো হল । এইবাৰ অৰুণে কোনো প্ৰতিবাদ নকৰিলে । মনতে ভাবিলে উপযুক্ত পাত্ৰী পালে নিশ্চয় বিয়া পাতিব ।

আবেলি বিচনাতে বাগৰ বাতৰি কাকতখন চাই থাকোতে হঠাৎ অৰুণে দেখিলে, কোনোবা দুগৰাকী গাভৰু গেটখন ঠেলি সিহঁতৰ ঘৰলৈকে সোমাই আহিছে । সি যুৱতী দুগৰাকীলৈ ভালদৰে লক্ষ্য কৰিলে । এগৰাকীকো সি চিনি নেপায় । কোন হব পাৰে । কিছু আচৰিত হোৱাৰ লগতে কৌতুহলো জন্মিল । প্ৰথমগৰাকী অলপ কলী বৰণৰ, লাহী দেহৰ বয়সৰ কিছু আঁচোৰ পৰিছে । আন গৰাকী মিঠা বৰণৰ, পূৰ্ণ যৌৱনা । অৰুণক দুৱাৰ মুখতে লগ পাই নমস্কাৰ এটা জনাই প্ৰথম গৰাকীয়ে কলে "এইটো অৰুণ গগৈৰ ঘৰ হয়নে?" "হয় মোৰ নামেই অৰুণ গগৈ ! তাই কিছু থতমত খালে যদিও নিজকে সংযত কৰি পুনৰ কলে, " ক্ষমা কৰিব, চিনি নাপাইহে সুধিলো । "নাই একো কথা নাই ।"

দুয়োকে মাতি আনি ড্ৰইং ৰুমত বহিবলৈ দিলে । সি পুনৰ চেহেৰাকেইটা চোৱাৰ মানসেৰে মুৰ তোলোতেই চকুৰে চকুৰে পৰাত অৰুণে দৃষ্টি ঘুৰাই দিলে । "আপোনালোকক মই চিনিব পৰা নাই, ওঁঠৰ তলতে মিচিকিয়া হাঁহি এটা মাৰি লাজ লাজ ভঙ্গিৰে প্ৰথমগৰাকীয়ে কলে, "চিনি পাব লাগিছিল । 'মোৰ নাম বৰ্ণালী' । "বৰ্ণালী মানে=———বৰ্ণালী দত্ত নেকি?" হয় । তাই লাজতে তলমুৰ কৰিলে । অৰুণৰ এই মুহূৰ্ত্ত এনে লাগিল যেন বুকুত এটা ধান বনোৱা মেচিন চলিব ধৰিছে । "আৰু এওঁ ———? " অৰুণে সেপগিলি কলে । "মোৰ মাহিদেউৰ ছোৱালী । জুলি দাস । তাই দুয়োখন হাতেৰে নমস্কাৰ জনালে । অৰুণে মাকক মাতি দুয়োকে চিনাকি কৰি দিলে । চাহ জলপান কৰোঁ বুলি কৈ মাক পাকঘৰলৈ সোমই গল ।

অৰুণদা আপুনিও কম মানুহ নহয় । আমাৰ ঘৰৰ ফালে এপাকো যাব নাপায়নে ? বৰ্ণালীয়ে প্ৰথমে আৰম্ভ কৰিলে ।

" যাবলৈ চোন সময়কে উলিয়াব নোৱাৰো । "

অৱশ্যে হয়। বেঙ্কৰ চাকৰি, ছুটিৰ কম। জানে মা দেউতাই আপোনাৰ কথা সদায় কৈ থাকে। আপুনিতু নাযায়েই, মামাৰ ঘৰলৈ অহাৰ সুযোগতে মধ্যেই এটা খবৰ কৰি যাওঁ বুলি সোমালোঁ।

"ভাল কৰিলা। কথা একেটাই। তুমি কৰা মানেই মই কৰা বুলি ধৰি লব পাৰা।" অৰুণে কথাবোৰ একেবাৰে সহজ কৰি পেলালে। চাকৰিৰ সংক্ৰান্তকৈলৈ অনেক কথা আলোচনা হল। জুলীয়ে কিন্তু তেওঁলোকৰ কথাবোৰত মুঠেই সহজ হব নোৱাৰিলে। চাকৰি নকৰালোকক পাট্টাই দিব নোখোজে। ভাইৰ লগত আহি জুলীয়ে যেন ভুলেই কৰি পেলালে। তাই ঘৰ অস্বস্তি অনুভব কৰিলে। মাকক চাহ জলপান কৰাত সহায় কৰোঁ বুলি কৈ জুলীয়ে পাকঘৰৰ ফালে খোজ ললে।

অৰুণে থাকি যাবলৈ জোৰ কৰিছিল, যদিও বৰ্ণালীহঁতে নাথাকিল। দুয়োকে বাট আস্থানলৈকে আগবঢ়াই থৈ আহিল। কথাটো অতি সোনকালে কিবা এটা কৰিবলৈ অৰুণক বাৰে বাৰে খটনি ধৰিলে। সিয়ো কিবা কৰাৰ প্ৰতিশ্ৰুতিৰে বৰ্ণালীহঁতক বিদায় দিলে।

কিছু দিন অধীৰ আগ্ৰহেৰে অপেক্ষা কৰাৰ পাছত হঠাৎ চিঠি এখন বৰ্ণালীৰ হাতত পৰিল। প্ৰেৰকৰ নামটো খামৰ ওপৰত পাই অত্যন্ত উদ্দীপনাৰে চিঠি খন খুলি পঢ়ি গ'ল :

মৰমৰ

বৰ্ণালী

আশাকৰো তোমাৰ ভাল। তোমাৰ প্ৰস্তাৱটোত সন্মতি জনাব নোৱাৰি মই দোষ স্বীকাৰ কৰিছোঁ। বেকাৰ হৈ থাকোতে নিশ্চয় গ্ৰহন কৰিলোহেঁতেন। এতিয়া অনেক সময় হৈ গল তোমাৰ চাকৰিটোৰ বাবেই মই তোমাক গ্ৰহন কৰিব নোৱাৰিলোঁ। তুমি এজন নিবনুৱা যুৱকক বাচি ললে মই অত্যন্ত সুখী হম। কাৰণ বাঢ়ি অহা ভয়াবহ নিবনুৱা সমস্যা আংশিকীয়াকৈ হলেও সমাধান কৰাত কিছু সহায় কৰিবা। এইটো মোৰ আদেশ নহয়, এটা অনুৰোধ মাত্ৰ অহা ৪ বহাগত মোৰ বিয়া প্ৰায় ঠিক হৈ গৈছে। তুমি জানি সুখী হবা যে কন্যাগৰাকী তোমাৰ মাহীদেউৰ ছোৱালী জুলী দান। এই পত্ৰৰ দ্বাৰাই বিয়াৰ নিমন্ত্ৰন জনালো। পাৰিলে এপাক আহি যাবা।

ইতি তোমাৰ অৰুণদা

বৰ্ণালীয়ে আৰু ধৈৰ্য্য ধৰি থাকিব নোৱাৰিলে। চিঠিখন টুকুৰা টুকুৰকৈ ফালি দলিয়াই পেলালে। সমগ্ৰ খং আৰু অপমান খিনিৰ পোটক যেন চিঠিখনৰ ওপৰতেই তুলিলে॥ ★

# ঃ প্ৰেৰনা ঃ

দেৱজিৎ বৰা।
স্নাতক ১ম বাৰ্ষিক

আজি ৰাতি পুৰা আনন্দিনাহঁতকৈ উঠি পিছু দেৰি হ'ল। নবৌ আহি জগোৱাতহে সাৰ পালো। গাটো ও অলপ অসুস্থ আছিল। তাতে যোৱা ৰাতি বিছনাতে বহি বেটুপাতৰ ভাৱাৰ্থটো ভাৱি উলিয়াওঁতেই বহুত দেৰি হৈ গ'ল। অকল বেটুপাতেই নহয় লগতে কবিতা এটাও লাগে। হেনো অৱশ্যে কবিতা এটা দিম বুলি মই আগৰে পৰাই ভাৱি আছিলো। যোৱা কালি মই আৰু শ্যামল বিভাগীয় সম্পাদকৰ ওচৰলৈ গৈছিলো। তেওঁৱেই ক'লে বেটুপাত আৰু কবিতাৰ কথা। কেতিয়াবা মোৰ এইবোৰৰ প্ৰতি বিতৃষ্ণা জন্মি কৈ দিবৰ মন যায় ———"হুঁ ত বেলেগক কবি ভাই, মোৰ আজি কালি এইবোৰৰ প্ৰতি একেবাৰেই ধাউতি নাই।" পিছে ধাউতি নাইবুলি পেলাই থ'লে কি হ'ব ধৰটো মাৰ যোৱাৰ পাছত আপোনা আপোনি আকৌ তাৰ ভিতৰত সোমাই পৰো। স্নাতক ১ম বাৰ্ষিকৰ ছাত্ৰ হৈ আজিও মোৰ হাতত সময়ৰ অভাৱ। কেতিয়াবা এনেকৈয়ে সময়বোৰ আগবাঢ়ে যে নবৌৰ মাতত চক্ খাই উঠো।

"বাবা ভাত হ'ল নহয়———গা টো ধোৱাগৈ যোৱা। কিন্তু সঁচা কথা কবলৈ গলে মোৰ এই মৰমিয়াল নবৌজনীৰ অনুপ্ৰেৰণাতেই এইবোৰ কামত আগবাঢ়িব পাৰিছো। এইজনী নবৌৱে আজিলৈকে মোক কোনো ক্ষেত্ৰতেই বাধা দিয়া মনত নপৰে। কি যে মিঠাতি মোৰ এই নবৌ জনী। কেতিয়াবা মই নবৌক কওঁ----" নবৌ তুমি মোক বং কৰিবাছোন ———" নবৌৱে " ধেৎ পগলাটো বুলি কৈ হাঁহি হাঁহি মোৰ গালতে চিকুট এটা মাৰি গুচি যায়।

কি যে কথাবোৰ ভাবি আছো মই। বহুত দেৰিয়েই হ'ল। ইপিনে বেটুপাতৰ

অংকণটোও কৰিবলৈ আছে। আমি দিয়াগৈ কথা, গল্প, প্ৰবন্ধ আদি সংগ্ৰহ কৰি প্ৰায় শেষেই হ'ল। আৰু এসপ্তাহৰ ভিতৰতে ছপা কাম আৰম্ভ হ'ব। যোৱাবাৰ আমাৰ কলেজৰ মেগাজিনখন সিমান Standard নহ'ল। সেয়ে বিভাগীয় সম্পাদকে আগৰ ভুল ভ্ৰান্তিবোৰ চাই এইবাৰ এখন নিখুট মেগাজিন উলিওৱাৰ প্ৰচেষ্টা হাতত লৈছে। লৰালৰিকৈ আহি গা-টো ধুই উঠি বেটুপাত টো সম্পূৰ্ণ কৰাত লাগিলোহি।

এটা সম্পূৰ্ণ প্ৰতীকধৰ্মী চিত্ৰ মোৰ তুলিকাৰে বগা কাগজত বোলাই গ'লো। বেটুপাতটোৰ ঠিক সোঁ মাজতেই জ্ঞানৰ প্ৰতীক হিচাপে এগছী বন্তী অংকণ কৰিলো। তাৰ পাছত বন্তী গছীৰ ঠিক তলতেই সোঁ আৰু বাওঁ ফালে— থাকিব সংগ্ৰাম আৰু শান্তিৰ দুটা প্ৰতীক। প্ৰায় দুপৰীয়া ভাত খোৱাৰ আগ আগে বেটু-পাতৰ অংকণটো সমাপ্ত হ'ল। অংকণটো হোৱাৰ পাছত অজানিতেই মোৰ মুখেদি এটা সন্তোষৰ হাঁহি বিৰিঙি উঠিল।

নবৌ অ' নবৌ এইফালে আহঁচোন কিবা এটা চোৱাহি। মোৰ চিঞৰত নবৌ দৌৰি অহাদিয়েই আহিলে। মই প্ৰতীকটো নবৌক দেখুৱালো।——— বা কি সুন্দৰ চিত্ৰ। প্ৰতীকটো দেখি অজানিতেই নবৌৰ মুখৰ পৰা সেই শব্দ কেইটা ওলাই আহিল। সঁচাই মই মোৰ নিজ মনকেই বিশ্বাস কৰিবলৈ টান পালো যে এনে এটা প্ৰতীক ধৰ্মী ছৱি———মোৰ দ্বাৰা অংকিত হ'ব।

সৰুতে যেতিয়া মই স্কুলত পঢ়ি আছিলো অৰ্থাৎ ২য় মানৰ পৰাই মোৰ অঁকাৰ প্ৰতি ধাউতি আছিল। ছবি অঁকাৰ উপৰিও মৌচাক বা তেনেধৰনৰ শিশু আলোচনিত আগতে কবিটাও পঢ়োৱা মোৰ মনত আছে। সৰুতে মোৰ মা দেউতাৰ পৰা পোৱা অভিজ্ঞতা—অ ৰু প্ৰেৰণাই মোক বৰ্তমানৰ এই শিল্পী সুলভ মন এটাৰ গঢ় দিয়ালে।

আগতে ঘৰৰ ওচৰৰ স্কুলবোৰত হোৱা চিত্ৰাংকণ প্ৰতিযোগিতাত শ্ৰেষ্ঠ সন্মান অৰ্জন কৰা আৰু মৌচাক বা তেনে ধৰণৰ শিশু আলোচনীৰ পৰা পুৰস্কাৰ পোৱা এতিয়াও মোৰ মনত ভাঁহি আছে। আজিও মই মোৰ হাতত তুলিকা ল'লে মোৰ মা-দেউতাৰ ছবি খনলৈ মনত পৰে। এতিয়াও দেউতাই মোৰ অনুপস্থিতিত হেনো, মই অঁকা ছত্ৰপতী শিৱা-জীৰ ছবিখন দেখুৱাই গৰ্বেৰে লোকক কয়, "সেই যে মোৰ সৰু ল'ৰাটো, ২য় মানৰ পৰাই তাৰ ছবি অঁকাৰ প্ৰতি ধাউতি আছিল, সিয়েই এই শিৱাজীৰ ছবিখন আঁকিছিল আজিকালি সি ইয়াত নেথাকে। ডিব্ৰুগড়ত থাকে ককা-যেকৰ লগত। কানৈ বাণিজ্য মহাবিদ্যালয়ৰ ডিগ্ৰীৰ ছাত্ৰ। আজিকালি সি বিভিন্ন আলো-চনীৰ বেটুপাতো অংকণ কৰে কাগজে, আলো-

চনীয়ে তাৰ দুই এটা কবিতাও পাঁও পঢ়িবলে। এইবোৰ দেউতাই আনৰ আগত মোৰ বিষয়ে কোৱা কথা, ডিব্ৰুগড়লৈ অহাৰ আগতে উচ্চতৰ মাধ্যমিক বৰ্ষ যোৰহাটত থাকি পঢ়িছিলো। তাত থকা অৱস্থাত লগৰ সমনিয়াবোৰৰ এনে ধৰনৰ চিন্তা চৰ্চা নাছিল। মাথো অ:ডড মৰাত পাকৈত আছিল। তাত থকা অৱস্থাত শিল্পী সুলভ মনটো প্ৰায় শেষেই হৈ গৈছিল। ইয়াত আহিহে মোৰ সেই শৈশৱৰ সপোন বোৰ বাস্তৱত সফল হোৱা যেন লাগিছে। তদুপৰি নবৌৰ অনুপ্ৰেৰণা মোৰ প্ৰতিটো খোজত। ডিব্ৰুগড়ত মোৰ দাদাৰ অভিনয় আৰু নৃত্য কলাৰ কাষৰ পৰা বেলেগ এখন আসন আছে। দাদাৰ এই সন্মানৰ বাবে মনে মনে মইও গৰ্বিত মোৰ নেদেখাজনৰ ওচৰত প্ৰাৰ্থনা কৰো, যেন - মোক দাদাক অনুকৰণ কৰিবলৈ শক্তি দিয়ে।

"বাবা ভাত খোৱাহি আহা বহুত দেৰি হ'ল ---" হঠাৎ নবৌৰ মাতত মোৰ তন্দ্ৰা ভাগি গ'ল। স'চাই মইযে কি কথাবোৰ ভাৱি আছো ! ইপিনে বেটুপাতৰ অংকনটোও বিভাগীয় সম্পাদকক, দিবলৈ যাবৰ হলেই। লৰা লৰিকৈ ভাত কিটা খাই অলপ জিৰাই লৈ লগৰটোৰ ঘৰলৈ বুলি খোজ ললো। তাৰ নাম শ্যামল। শ্যামল গোস্বামী----। নবৌৰ পেহীয়েকৰ ল'ৰা। মোৰ ক্লাছ ফ্ৰেণ্ড। মোৰ গত বছৰটোত কলেজীয়া বন্ধু হিচাপে শ্যামলক মই কেতিয়াও পাহৰিব নোৱাৰো ! কলেজীয়া দিন বোৰৰ প্ৰতিটো ব্যস্ততা পূৰ্ণ মূহুৰ্তত সি মোৰ চকুৰ মণিৰ দৰে হৈ পৰিছিল। কিবা এটা কৰাৰ আগমূহুৰ্তত বা কিবা এটা কৰিবলৈ হ'লে সিয়েই মোৰ সৰ্বেসৰ্বা"।

"তই এইটো কৰ বা "তই এনে কৰিলেহে ভাল হ'ব" বা" তই এই দৰে আগ -বাঢ়ি যা----"। এনেকৈয়ে সি মোক সকলো ক্ষেত্ৰতে সকলো বিষয়তে পৰামৰ্শ দি উৎসাহিত কৰি তোলে।

কেতিয়ানো মই আহি আহি শ্যামল হঁতৰ ঘৰৰ দুৱাৰ দলিত ভৰি দিলোহি গমেই নাপালো।

"শ্যামল। অ' শ্যামল" আছনে বুলি হুৱাৰ মান মতাৰ লাগে লগেই সি ভিতৰৰ পৰা ওলাই আহিল। সি বৰ কৰ্মব্যস্ত লৰা। ঘৰৰ সকলো কাম পৰিচালনাৰ দায়িত্ব তাৰ ওপৰতেই। ইমানবোৰ কামৰ ভেতা মাৰিও সি মোৰ লগত ঘূৰিবলৈ সময় উলিয়াই।

"অ' তই আহিলি" আহ বহ। শ্যামলৰ উত্তৰলৈ বাট নেচায় ওচৰতে থকা চোফা খনত শৰীৰটো পেলাই দিলো। শ্যামলে আকৌ কথা আৰম্ভ কৰিলে ।---"

এই মাত্ৰ ভাত কিটা খাই তোৰ কথাই ভাৱি আছিলো ———সম্পাদক হাজৰীকা বাতিপুৱা মোৰ ওচৰলৈ আহিছিল বেটু পাতৰ খবৰটো লৰলৈ ।

পিছে বেটু পাত হ'লেনে শ্যামলৰ উৎসাহ নশলোৱাকৈ কোৱা কথা কেইষাৰ শুনি মোৰ মূৰটো গৰম হৈয়ে আছিল । মনতে ভোৰ ভেৰালো —— যেন এইবোৰ ভাতৰ লগত পানি খোৱা কথা হে । ক'লে বুলিয়েই বনাই দিব পাৰিবনে ? যদি পাৰই তেঁহতে নকৰ কিয় ? মোক যে, সকলো সময়তে দিগ্‌দাৰি দিয় ?”

মোৰ মনৰ কথাবোৰ যেন সি বুজিতে পালে । এনে এটা ভাৱেৰে সি মোৰ হাতৰ পৰা বেটুপাতৰ অংকনটো তুলি লিলে আৰু বহুত মূল্যৱান বস্তু এটা যেন ঘূৰাই পালে তেনে ভাৱে সি প্ৰতীকটোৰ ওপৰত চকু ফুৰালে । আকৌ একেই সুৰেৰে সি ক'বলৈ ধৰিলে ——— মই যে আজি কিমান-----

ভাগ্যৱান তোক ক'ব নোৱাৰিম বাবা । এনে এটা বেটু পাত অংকণ কৰিবি বুলি মই কল্পনাই কৰা নাছিলো । আজি অত দিনে ইমান বোৰ মেগাজিন প্ৰকাশ হৈ গ'লাল, সেইবোৰ মেগাজিনত এটা চকুত লগা বেটু পাত অংকিত ন'হল ।

কিন্তু এইবাৰ তোৰ এই বেটুপাতৰ দ্বাৰা কলেজ কতৃপক্ষই ক'ব লাগিব যে সঁচাই এখন উন্নত মানদণ্ডৰ মেগাজিন এই বছৰ প্ৰকাশ হৈ গ'লাল । “ Thank you, th nk you ve y much dear friend ” অজানিতেই শ্যামলৰ মুখৰ পৰা কেইটা মান ইংৰাজী শব্দ ফুটি ওলাল । তই তোৰ এই প্ৰতিভা কেতিয়াও ধংস নকৰিবি বাবা । মই তোৰ ভবিষ্যত উজ্জ্বল কামনাৰে ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনাইছো ।

অজানিতেই মোৰ চকুৰ পৰা দুটোপাল আনন্দাশ্ৰু বাগৰি আহিল ।— ক'ব নোৱা-ৰাকৈয়ে শ্যামলক মই মোৰ বুকুৰ মাজত সাৱটি ধৰিলো—।

ক্কিমান সময় যে-- আমি তেনেকৈ আছিলো ক'ব নোৱাৰো ।

বাবা ——— সম্পাদকৰ ওচৰলৈ যোৱাৰ আগতে একাপ একাপ— চাহ খাই লোৱা ভাল হ'ব ।

দুয়োটাই কিছুমান সুখ – দুখৰ কথা পাতি, একাপ একাপ চাহ খোৱাৰ পাছত সম্পাদকৰ ঘৰলৈ বুলি খোজ ল'লো ।

সম্পাদক হাজৰীকাৰ ঘৰ ইউনিভাৰ-চিটিৰ ওচৰত । আমি গৈ বাছ এখন অহালৈ বাট চাই তিনি আলিৰ ষ্টপেজটোতে কিছু সময় অপেক্ষা কৰিলো । কিছু সময়ৰ বাবে কাৰো মুখত মাতবোল নাই । দুয়ো যেন এক মৌন প্ৰতীক । হৰ্থাৎ উৎফুল্লিত হৈ শ্যামলে মোক ক'লে ----"বাবা তই তোৰ এই প্ৰতিভাৰ ওপৰত ভিত্তি কৰি এটা গল্প লেখিবিচোন ।" মই শ্যামলৰ প্ৰশ্নৰ উত্তৰ নিদি মাথো এটা সমিধানৰ হাঁহি মাৰি ওপৰৰ আকাশৰ ডাৱৰ ভেদি ওলাব বিচৰা সূৰ্য্যটোলৈ চাই ৰ'লো ।

★★★

# ঃ সাধাৰণ সম্পাদকৰ প্ৰতিবেদন ঃ

মোৰ বছৰেকীয়া প্ৰতিবেদনৰ আৰম্ভনীতে আমাৰ মহাবিদ্যালয়ৰ সমূহ সতীৰ্থ ছাত্ৰ -- ছাত্ৰীলৈ হিৰাভৰা কৃতজ্ঞতা জ্ঞাপন কৰিছো। লগতে যি সকল ছাত্ৰ - ছাত্ৰী, বন্ধু বান্ধৱীয়ে তেখেত সকলৰ বহুমূলীয়া ভোটেৰে ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদক পদত মোক অধিষ্ঠিত কৰালে তেখেত সকললৈ মোৰ আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰিছো।

সাধাৰণ সম্পাদকৰ দায়িত্ব ভাৰ গ্ৰহন কৰি প্ৰথমে যথেষ্ট ভয় খোৱাৰ লগতে চিন্তান্বিত হৈছিলো। কিয়নো মহাবিদ্যালয় খনক দেখোন চাৰিও ফালৰ পৰা এশ এবুৰি জ্বলন্ত সমস্যাই আগুৰি ৰাখিছে। যি বোৰৰ সু - সমাধানৰ বাবে ছাত্ৰ - শক্তিক লাগে প্ৰকৃত নেতৃত্ব। মই নিজকে প্ৰশ্ন কৰিছিলো পাৰিম জানো এই নেতৃত্ব দিব। পাৰিম জানো সমস্যা সমূহ সমাধান কৰিব ? যদি নহওক সময়ৰ আহ্বানত সঁহাৰি দি দায়িত্ব পালনৰ বাবে মাৰ বান্ধি সাজু হৈছিলো।

২৫ ফেব্ৰুৱাৰী ৯১ৰ শপত আৰু কাৰ্য্যভাৰ গ্ৰহনৰ পিছতেই বছৰেকীয়া বাজেট অধিবেশন অনুষ্ঠিত হয়। ৮ মাৰ্চ ৯১ত প্ৰথম খন কাৰ্য্য নিৰ্বাহক অনুষ্ঠিত হয়। এই সভাতেই অধ্যক্ষ নিযুক্তি দিয়া, ৰূপালী জয়ন্তী পতা, মহাবিদ্যালয় ভৱন বং কৰা, চাৰি - সীমা বং দিয়া, পুথি ভৰালৰ কিতাপ যোগান। মহাবিদ্যালয়ৰ ওপৰলৈ এখন চিৰি নিৰ্মান, পেশ্ৰাৱগাৰ আৰু শৌচাগাৰ পুনৰ নিৰ্মান আদি বিষয় লৈ আলোচনা কৰিছিলো। তেওঁ দাবী সমূহ সকল ৰূপায়নৰ বাবে প্ৰতিশ্ৰুতি দিছিল যদিও পালন কৰা নাছিল। গতিকে ছাত্ৰ একতা সভাই ওপৰৰ দাবী সমূহৰ লগত আৰু কিছু দাবী সন্নিবিষ্ট কৰি এখনি দাবী পৰিচালনা সমিতিহৈ সভাপতি লৈ পঠাইছিলো। আৰু তাৰ প্ৰতিলিপি আমাৰ মহাবিদ্যালয়ৰ অধ্যক্ষ, ডিব্ৰুগড় জিলা উপায়ুক্ত, শিক্ষাধিকাৰ, আসম আৰু ৰাজ্যপাল (অসম) লৈ পঠাইছিলো। দাবী সমূহ হল ———

১) যোৱা পাচঁ বছৰ ধৰি খালী হৈ থকা মহাবিদ্যালয়ৰ অধ্যক্ষৰ স্থায়ী নিযুক্তিকৰণ।

কাৰণ স্থায়ী অধ্যক্ষ নোহোৱাৰ ফলত এই সংক্ৰান্তৰ হাজাৰ হাজাৰ টকা প্ৰতি বছৰে মহাবিদ্যালয় পুঁজিৰ পৰা অপ-ব্যৱহাৰ হৈ আছে ।

২) খালী হৈ থকা শিক্ষক আৰু কৰ্মচাৰীৰ পদ পূৰন ।

৩) নিয়মীয়া ভাৱে শ্ৰেনী সমূহ অনুষ্ঠিত কৰা ।

৪) মহাবিদ্যালয়ৰ গ্ৰন্থাগাৰৰ বাবে আৱশ্যকীয় পুথিৰ যোগান ।

৫) মহাবিদ্যালয়ৰ ভৱন সম্পূৰ্ণ মেৰামতি কৰণ ।

৬) ব্যৱহাৰৰ অনুপযোগী হৈ পৰা পস্ৰাৱগাৰ আৰু শৌচাগাৰৰ পুনৰ নিৰ্মান ।

৭) ছাত্ৰবাসৰ মেৰামতি তথা চাৰি-সীমাৰ বেৰা দিয়া ।

৮) মহাবিদ্যালয়ৰ ওপৰ মহলালৈ উঠি-বলৈ বাহিৰফালৰ পৰা এখন চিৰি নিৰ্মান । কাৰন মহাবিদ্যালয়ৰ ওপৰলৈ উঠিবলৈ মাত্ৰ এখন চিৰি আছে । সিও তেনেই ঠেক আৰু ঠিয় । ফলৰ ছাত্ৰ-ছাত্ৰী তথা শিক্ষাগুৰু-সকল উঠা নমা কৰোতে বহুতো অসুবিধা পৰিলক্ষিত হয় ।

৯) মহাবিদ্যালয়ৰ বাবে বানীপুৰত থকা মাটিখিনি সম্পূৰ্ণ চিনাক্ত কৰণ তথা সংৰক্ষণ ।

১০) মৃত শিক্ষাগুৰু অধ্যাপক নিত্যানন্দ চুতীয়াদেৱৰ পৰিবাৰক নিযুক্তি দিয়া ।

এই দাবীসমূহৰ কিমান খিনি পুৰন হল ছাত্ৰ ছাত্ৰী সকলে বিচাৰ কৰিব । আৰু যিখিনি পুৰন নহল তেওঁলোকে ভৱিষ্যতে পুৰাবলৈ চেষ্টা কৰিব ।

**মহাবিদ্যালয় সপ্তাহ :** – ২৭/২/৯১ তাৰিখে অধ্যাপক ইমৰান হুছেইন দেৱৰ সভাপতিত্ব বহা কাৰ্য্যনিৰ্বাহক সভাত ৩ এপ্ৰিলৰ পৰা ৯ এপ্ৰিললৈ ২৮তম মহাবিদ্যালয় সপ্তাহ পাতিবলৈ সিদ্ধান্ত লোৱা হয় । সিদ্ধান্ত অনুসৰি ৩ এপ্ৰিলৰ পুৱা ৮ বজাত পতকা উত্তোলন কৰে আমাৰ মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ শ্ৰীযুত প্ৰেমচন্দ জৈন দেৱে । ৯ বজাত শ্বহীদ তৰ্পন অনুষ্ঠানেৰে আৰম্ভ হল বাৰেবৰ্ণীয়া ২৮তম মহাবিদ্যালয় সপ্তাহ । সাদিন ধৰি মহাবিদ্যালয় সপ্তাহৰ প্ৰতিটো ক্ষনতেই মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী সকলৰ শাৰিৰীক দক্ষতা তথা খেলুৱৈ সুলভ সাংস্কৃতিক সুলভ মনবোৰৰ পৰিচয় ফটফটীয়াকৈ পৰিস্ফুট হৈছিল । মহাবিদ্যালয় সপ্তাহৰ শেষৰ দিনটোত আন-

মধুৰ পৰিবেশত অনুষ্ঠিত হৈছিল বটঁ। বিতৰনী সভা। অধ্যক্ষ মহোদয় ডঃ চন্দ্ৰদেউ মিশ্ৰদেৱে সভাপতিত্ব কৰা সভাত মুখ্য অতিথি হিচাপে যোগদান কৰিছিল কানৈ আইন মহাবিদ্যালয়ৰ ভৱন দান কৰোতা শ্ৰীযুত এল, চি, কানৈ দেৱ। কানৈ আইন মহাবিদ্যালয়ৰ অধ্যক্ষ শ্ৰীযুত মনিৰাম আগৰৱালা দিব আৰু আমাৰ মহাবিদ্যালৰ প্ৰাক্তন অধ্যক্ষ নিৰ্মল কুমাৰ বসু দেৱে। তেখেতসকলৰ মনোমোহা ভাষনে তথা উপদেশে মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলক নিশ্চয় উপকৃত কৰিলে।

শোক সভা:— ছাত্ৰ-ছাত্ৰী সকলৰ সৰ্বাঙ্গীন উন্নতি তথা মহাবিদ্যালয়ৰ উন্নতিৰ বাবে গোটেই জীৱন উৰ্চ্ছগা কৰা আমাৰ অতি আদৰৰ শিক্ষা গুৰু তথা আমাৰ মহাবিদ্যালয় অধ্যাপক শ্ৰীযুত দেৱব্ৰত বৰুৱা দেৱে বহুদিন কৰ্কত ৰোগত ভূগি যোৱা ইং ২৮/৫/৯১/ তাৰিখ শনিবাৰে ৰাতি ৯ বাজি ২৫ মিনিট থাওঁতে অসম মেডিকেল কলেজত স্বৰ্গগামী হয়। ইং ২০/৫/৯১ তাৰিখে আমাৰ মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ—ছাত্ৰী অধ্যাপক অধ্যাপিকাসকল এক শোক সভাত সমবেত হৈ গভীৰ শোক প্ৰকাশ কৰে আৰু শোক-সন্তপ্ত পৰিয়াললৈ আন্তৰিক সমবেদনা জ্ঞাপন কৰে।

ইয়াৰ এমাহ পুৰ নৌহওঁতেই ১০/৬/৯১ তাৰিখ সোমবাৰে আমাৰ মহাবিদ্যালয়ৰ স্নাতক দ্বিতীয় বাৰ্ষিকৰ ছাত্ৰ শ্ৰীকিশোৰ গগৈ ডিব্ৰুগড় থানাচাৰিআলিত এক বাছ দুৰ্ঘটনাত স্বৰ্গগামী হয়। তেওঁৰ মৃত্যুত মহাবিদ্যালয় সমূহ ছাত্ৰ ছাত্ৰী তথা শিক্ষাগুৰুৱে গভীৰ শোক প্ৰকাশ কৰে আৰু শোকসন্তপ্ত পৰিয়াললৈ সমবেদনা জ্ঞাপন কৰে।

বিদায় সভা:—— ছাত্ৰ-ছাত্ৰীসকল দেশৰ ভৱিষ্যত উত্তৰাধিকাৰী। এই উদ্দেশ্য সাফল্য মণ্ডিত হোৱা আশাৰে ইং ১৪/৮/৯১ তাৰিখে অধ্যক্ষ মহোদয়ৰ সভাপতিত্বত বহা সভাত স্নাতক শেষাৰ্ন্ত বাৰ্ষিকৰ ছাত্ৰ-ছাত্ৰী সকলৰ বিদায় দিয়া হয়। এই বিদায়ে যেন তেওঁলোকৰ ভৱিষ্যত গঢ়াত সহায় কৰে তাৰে কামনা কৰিলো।

নৱাগত আদৰনি সভা:— পুৰনিক বিদায় আৰু নৱাগতক আদৰ আমাৰ মহাবিদ্যালয়ৰ ঋতুগত নিয়ম। নৱাগত সকলক আদৰাৰ উদ্দেশ্যে ইং ১/১০/৯১/ তাৰিখে এখনি সভা আয়োজন কৰা হয়। উক্ত সভাত নৱাগত সকলক আদৰনি পাঠ পঢ়া হয়। তাৰ পাছত শিক্ষাগুৰু সকলে নৱাগত সকলক দিয়া পৰামৰ্শ ৰাজী লগতে নৱাগত সকলৰ চিনাকী পৰ্ব আৰম্ভ হয়। শেষত চাহ-মিঠাইৰ জলযোগৰ লগতে সাংস্কৃতিক কাৰ্য্যসূচীৰে আনন্দৰ টৌ বঢ়াই তুলিছিল।

আমাৰ কাৰ্য্যকালতে আন্তঃ ডিব্ৰুগড় বিশ্ববিদ্যালয় বানিজ্য ছাত্ৰ সন্থাৰ প্ৰথম বাৰ্ষিক অধিবেশন খনি সন্থাৰ সভাপতি শ্ৰীযুত ধ্ৰুৱজ্যোতি বৰদলৈ আৰু সম্পাদক শ্ৰীযুত পৰেশ শইকীয়াৰ সহযোগত আমাৰ মহাবিদ্যালয়ত পাতিবলৈ লওঁ। এই অনুসৰি শ্ৰীযুত মুনিন চেতিয়াৰ সভাপতি আৰু শ্ৰীকমলেশ্বৰ গগৈক সম্পাদক হিচাপেলৈ অভ্যাৰ্থনা সমিতিখন গঠন হৈ যায়। আৰু ইং ১৩/১৪ আৰু ১৫ ডিচেম্বৰ, ৯১ তাৰিখে তিনিদিনীয়া কাৰ্য্যসূচীৰে প্ৰথম বাৰ্ষিক অধিবেশন পালন হৈ যায়। শেষৰ দিনাৰ মুকলি সভাত উপস্থিত আছিল ক্ৰমে ডিব্ৰুগড় আৰু গুৱাহাটী বিশ্ববিদ্যালয়ৰ উপাচাৰ্য্যদ্বয় ক্ৰমে শ্ৰীকমলেশ্বৰ বৰা আৰু ডঃ নিৰ্ম্মল কুমাৰ চৌধুৰী। তেওঁলোকৰ লগতে যোগদান কৰিছিল ডঃ অনিল কুমাৰ শৰ্মা দেৱে।

শলাগ —

সাধাৰন সম্পাদকৰ দৰে গুৰুদায়িত্বত থকা অৱস্থাত মোক সকলো প্ৰকাৰে সহায় সহযোগ আগবঢোৱা মাননীয় অধ্যক্ষ মহোদয় ডঃ চন্দ্ৰদেৱ মিশ্ৰদেৱ অধ্যাপক ক্ৰমে শ্ৰীযুত ৰমাকান্ত গগৈ দেৱ ডঃ দেৱৰঞ্জন শৰদেৱ, শ্ৰীযুত ইমৰান হুচেইন দেৱ, শ্ৰীযুত নাছিম ওৱাজিদ আলিদেৱ; শ্ৰীযুত ৰঘুনাথ বৰবৰা দেৱ, শ্ৰীযুক্তা নিৰঞ্জনা মহন্ত বেজবৰুৱা, শ্ৰীযুক্তা কমনা খাউণ্ড বাইদেউলৈ মোৰ আন্তৰিক শ্ৰদ্ধা নিবেদিছো। ইয়াৰোপৰি সকলো সময়তে দিহা পৰামৰ্শৰ লগতে সহায় আগবঢোৱা সতীৰ্থ বন্ধুবৰ্গ ক্ৰমে, ধৈৰ্য্য হাজৰিকা (শক্তি) কুশল (ৰিশি), খঞ্জানন, শৰত, ৰূপক, ভৱেন, ৰূপক অধিকাৰী, বিদ্যুৎ, উমেশ, প্ৰদীপ, চমৰ, বিজু, কৰুণা, জয়ন্ত, খগেন, নিপন ৰশ্মি, দীলৰঞ্জন, নন্দন, শঙ্কৰ, ৰুদেশ্বৰ, ভৱেশ, যোগেন, প্ৰসন্ন, সিবদা আৰু সকলো বন্ধু--বান্ধবী লৈ হিয়াভৰা কৃতজ্ঞতা যাচিলো।

শেষত মোৰ কাৰ্য্যকালত মই যদি অজানিতে ভুল কৰিছিলো তাৰ বাবে ক্ষমা প্ৰাৰ্থনা মাগিছো।

সদৌ শেষত ছাত্ৰ-ছাত্ৰী তথা মহাবিদ্যালয়ৰ উত্তৰোত্তৰ উন্নতি কামনাৰে মোৰ প্ৰতিবেদনাৰ সামৰনি মাৰিলো।

ধণ্যবাদেৰে —
শ্ৰীকমলেশ্বৰ গগৈ
সাধাৰণ সম্পাদক
কানৈ বানিজ্য মহাবিদ্যালয়
ছাত্ৰ একতা সভা
১৯৯০ — ৯১

# খেল বিভাগৰ সম্পাদকৰ প্ৰতিবেদন

জয় জয়তে মই কানৈ বাণিজ্য মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ ছাত্ৰীক যোৱা ১৯৯০-৯১ চনত মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ খেলবিভাগৰ সম্পাদক ৰূপে মোক নিৰ্বাচিত কৰাৰ কাৰণে মোৰ আন্তৰিক কৃতজ্ঞতা জনালো।

ক্ৰীয়ানুৰাগী এটা মনলৈ সীমিত সুবিধাৰে, সমস্যাবহুল এই মহাবিদ্যালয়ত নিজ কৰ্তব্য সম্পাদন কৰাত কিমান দূৰ সফল হলো তাৰ বিচাৰ ছাত্ৰ-ছাত্ৰী সকলৰ ওচৰতেই ন্যস্ত কৰিলো।

**মহাবিদ্যালয়ৰ সপ্তাহ ঃ**

যোৱা ২/৪/৯১ তাৰিখৰ পৰা অতি উলহ-মালহৰে আঠাইশতম মহাবিদ্যালয়ৰ সপ্তাহ আৰম্ভ হৈ ৯/৪/৯১ তাৰিখে সমাপ্ত হয়। মহাবিদ্যালয় সপ্তাহৰ পতাকা উত্তোলন কৰে প্ৰাক্তন অধ্যক্ষ মাননীয় পি, চি, জৈনদেৱে। ক্ৰীয়াবিভাগৰ প্ৰতিযোগিতা উদ্বোধন কৰে অসমৰ প্ৰখ্যাত ফুটবল খেলুৱৈ মাননীয় শ্ৰীযুত বগা দাস দেৱে। তেখেতে প্ৰজ্বলন কৰি দিয়া শিখাৰে মহাবিদায়লৰ ছাত্ৰ শ্ৰীভৱেন চেতিয়াই অলিম্পিক শিখা প্ৰজ্বলন কৰে। ইয়াৰ পিছতে মহাবিদ্যালয় সপ্তাহৰ বিভিন্ন প্ৰতিযোগিতা সমূহ অনুষ্ঠিত হয়। এইবাৰ মোৰ বিভাগৰ প্ৰতিযোগিতা সমূহত ছোৱালীৰ প্ৰতিযোগী নগন্য হোৱাৰ কাৰণে মাথোন লৰাৰ মাজতে প্ৰতিযোগিতা সমূহ অনুষ্ঠিত হয়। গতিকে এই ছাত্ৰী সকলক যি কোনো খেলত যোগদান কৰিবলৈ এই প্ৰতিবেদনৰ যোগেদি অনুৰোধ জনালো।

